লেনিন শতবৰ্ষ গ্ৰন্থমালা

NARIN BORDOLOI HAI & LIBRARY
SOVIET BOOK CORNER.
GAUHATI-1.

ছোভিয়েত ইউনিয়নৰ শিক্ষা

ছোভিয়েত দেশ প্ৰকাশনী

কলিকতা

USSR

EDUCATION

এই পুস্তিকাৰ সমূহ সমল নোভস্তি প্ৰেস এজেন্সিৰ সৌজন্যত

Assamese 1969

বেচ : ৫০ পইচা Price : 50 Paise

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ কলিকতাস্থিত দূতস্থানৰ বাৰ্তাবিভাগ কৰ্তৃক ১।১ উড ষ্ট্ৰীট, কলিকতা-১৬ৰপৰা প্ৰকাশিত আৰু হৰিহৰ প্ৰেছ, ৯৩।২ সীতাৰাম ঘোষ ষ্ট্ৰীট, কলিকতা-৯ৰপৰা মুদ্ৰিত।

১৯১৭ চনত ৰুছিয়াত অক্টোবৰ বিপ্লৱে ভূস্বামী আৰু পুঁজিপতিসকলৰ শাসনৰ অৱসান ঘটাই শ্ৰমজীৱী মানুহৰ জ্ঞান অৰ্জনৰ অপৰিমেয় সুযোগ কৰি দিয়ে। উঠি অহা পুৰুষটোৰ লালন-পালন আৰু শিক্ষাৰ মৌলিক নীতিসমূহ লেনিনে সূত্ৰবদ্ধ কৰিছিল আৰু ছোভিয়েত স্কুলৰ শ্ৰেণী-চৰিত্ৰৰ সংজ্ঞা নিৰূপণ কৰিছিল।

ছোভিয়েত শিক্ষাৰ নীতি হল শিক্ষাৰ পদ্ধতিক এনেভাৱে প্ৰয়োগ কৰা যাতে অধ্যয়নৰ প্ৰতি এক সৃজনশীল মনোভাবৰ সৃষ্টি হয় আৰু অৰ্জিত জ্ঞানৰ ভিত্তিত নতুন জীৱন গঢ়ি তোলাৰ সামৰ্থ্য আহে।

লেনিনৰ নিৰ্দেশ অনুযায়ী ছোভিয়েত ৰাষ্ট্ৰই কিভাৱে সৰ্বজনীন জাতীয় শিক্ষাক বাস্তৱত ৰূপ দিছে, ছোভিয়েত ইউনিয়নৰ সুদূৰ চুক-কোণবোৰতো কিভাৱে বিজ্ঞানৰ প্ৰৱেশ ঘটিছে আৰু কিভাৱে সকলোৱে, আনকি ক্ষুদ্ৰতম অধিজাতি-সমূহেও, বিদ্যাৰ্জনৰ সুযোগ পাইছে, এই পুস্তিকাত সেয়ে বৰ্ণিত হৈছে।

মূল নীতিসমূহ

বহু শতাব্দী ধৰি শিক্ষাৰ সুযোগ আছিল সম্পন্ন শ্ৰেণীসমূহৰ। দুবেলাৰ দুমুঠি যোগাৰ কৰিবৰ কাৰণে যিবিলাকে খাটি মৰিছিল তেওঁলোকৰ শিক্ষাৰ কোনো সুযোগেই নাছিল।

বিপ্লৱৰ আগতে ৰুছিয়াৰ অধিবাসীসকলৰ তিনি-চতুৰ্থাংশই লিখাপঢ়া নাজানিছিল। যিবোৰ প্ৰান্তীয় জিলাত তথাকথিত সংখ্যালঘু জাতিবোৰৰ বসবাস সেইবোৰত বিৰাজ কৰিছিল দাৰিদ্ৰ্য আৰু অজ্ঞতাই। দৃষ্টান্তস্বৰূপে কোৱা যায় যে মধ্য এছিয়াৰ উজবেক, তুৰ্কমেন, তাজিক, কাজাখ আৰু কিৰঘিজ জনসংখ্যাৰ শতকৰা মাত্ৰ এজনৰ বৰ্ণপৰিচয় আছিল। সেই সময়ত যি হাৰত শিক্ষা প্ৰসাৰ চলিছিল সেই হাৰ চলিলে ৰুছিয়াৰ নিৰক্ষৰতা দূৰীকৰণ কৰিবলৈ ১২৫ বছৰ লাগিলহেঁতেন, আৰু মধ্য এছিয়া আৰু কাজাখস্তানত লাগিলহেঁতেন ৪৬০০ বছৰ।

এনে এটা অৱস্থা জাৰ চৰকাৰৰ খুব কামত লাগিছিল। কাৰ্য্যতঃ চৰকাৰৰ নীতি আছিল সকলো প্ৰগতিশীল চিন্তাৰ

টেঁটু চেপি ধৰা, শিক্ষিত আৰু সচেতন নাগৰিক কৰি তোলাৰ পৰিবৰ্তে প্ৰজাসকলক দাস কৰি ৰখা, কাৰণ নিৰক্ষৰ, অজ্ঞ মানুহক পদানত কৰি ৰখা সহজ।

ৰুছিয়াৰ প্ৰগতিশীল বুদ্ধিজীৱীসকলে শিক্ষাক সৰ্বজনীন আৰু গণতান্ত্ৰিক কৰাৰ কাৰণে দৃঢ় সংকল্প লৈ সংগ্ৰাম কৰে, কিন্তু জাৰ চৰকাৰৰ ঔদাসীন্য আৰু বিৰোধিতাত তেওঁলোকৰ সমস্ত চেষ্টা ব্যৰ্থ হৈ যায়।

১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ পাছৰ পৰাই জনশিক্ষাৰ উন্নতিৰ কাৰণে ছোভিয়েত ৰাষ্ট্ৰৰ অবিৰাম প্ৰয়াস চলে। অৰ্থনৈতিক বিশৃঙ্খলা, ক্ষুধা, শীত আৰু বিদেশী আৰু দেশী প্ৰতিবিপ্লৱৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ প্ৰয়োজন থকা সত্ত্বেও, দেশ শিক্ষাসমস্যাৰ মৌলিক সমাধানৰ ফালে অগ্ৰসৰ হয়। লাল ফৌজৰ লোক, কৃষক আৰু শ্ৰমিকসকলে লিখাপঢ়া শিকিবলৈ আৰম্ভ কৰে। যিবোৰ ঠাইত কিতাপ, পেন্সিল আৰু কাগজৰ কথা কোনেও নাজানিছিল, সেইবোৰ ঠাইলৈকো এইবোৰৰ আমদানি হ'বলৈ ধৰে।

নিৰক্ষৰতা দূৰীকৰণতো আছিলেই, তাৰ লগে লগে কমিউনিষ্ট পাৰ্টিৰ কৰ্মসূচী আৰু জনসাধাৰণৰ প্ৰস্তাৱ অনুযায়ী ছোভিয়েত ৰাষ্ট্ৰই নতুন সমাজতান্ত্ৰিক পথেদি জনশিক্ষা

পৰিচালনাত উদ্যোগী হয়। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক প্ৰয়োজনক জনশিক্ষাৰ লগত সংশ্লিষ্ট কৰি দিয়ে ৰাষ্ট্ৰই।

লক্ষ লক্ষ মানুহৰ প্ৰাণত আছিল জ্ঞানৰ ক্ষুধা, শিক্ষা আছিল তেওঁলোকৰ ওচৰত এনে এটা স্বপ্ন যিটো কোনো দিনেই লাভ কৰা নাযায়। সাক্ষৰতা বা সংস্কৃতিৰ কাৰণে ব্যাপক অভিযান দেখি বহু বিদেশী সাংবাদিক, কূটনীতিক আৰু ৰাজনীতিক বিস্মিত আৰু অভিভূত হৈছে।

লেনিনে যে কৈছিল ছোভিয়েত শাসনত জনসাধাৰণেই তেওঁলোকৰ মাজৰ পৰা নেতা আৰু সংগঠক তৈয়াৰ কৰিব, শ্ৰমিক আৰু কৃষকসকলে ৰাষ্ট্ৰ পৰিচালনা কৰিবলৈ শিকিব আৰু বিজ্ঞান আৰু ইঞ্জিনিয়াৰিং বিদ্যাৰ সৰ্বাধুনিক সাফল্যবোৰ আয়ত্ত কৰিব, সময়ে প্ৰমাণিত কৰিছে যে তেওঁৰ সেই ভবিষ্যদ্বাণী সত্য।

সেইসময়ত যাবতীয় বিদ্যালয়, কাৰিকৰী বিদ্যালয়সমূহ, উচ্চ শিক্ষা প্ৰতিষ্ঠানবোৰ, পাঠাগাৰসমূহ আৰু সাংস্কৃতিক শিক্ষা প্ৰতিষ্ঠানবোৰক শ্ৰমজীৱী মানুহৰ আয়ত্তলৈ আনিবৰ কাৰণে এখন আদেশনামা জাৰী হয়। শিক্ষাত শাসকশ্ৰেণীৰ একাধিপত্যই চিৰদিনৰ কাৰণে বিদায় ললে।

অতি অলপ দিনৰ ভিতৰতে এক নতুন গণতান্ত্ৰিক সুসংবদ্ধ জনশিক্ষা পদ্ধতি গঢ়ি উঠে। এই পদ্ধতিৰ মূলনীতি সৰ্বজনীন শিক্ষা বিস্তাৰ আৰু প্ৰতিজন ছোভিয়েত নাগৰিকৰ কাৰণে তাক সহজলভ্য কৰি তোলা। শিক্ষাত সৰ্বজনীনতা, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বাধ্যতামূলক সহ-শিক্ষা আৰু মাতৃভাষাত শিক্ষাদান প্ৰবৰ্তিত হ'ল; গীৰ্জাৰ পৰা বিদ্যালয়ক বিচ্ছিন্ন কৰি দিয়া হ'ল; বৈজ্ঞানিক ভিত্তিত শিক্ষণপদ্ধতিক সজোৰা হ'ল; সাধাৰণ শিক্ষাৰ লগত পলিটেকনিকেল শিক্ষাৰ সংযোগ ঘটিল; উচ্চশিক্ষাৰ মানোন্নয়নৰ ফালে বিশেষ দৃষ্টি দি তাত উৎসাহ যোগোৱা হ'ল; আৰু জনগণৰ বুদ্ধিজীৱীসকলক গঢ়ি তোলাৰ কাম সুনিশ্চিত হৈ উঠিল।

আগতে যিবোৰ জাতি নিপীড়িত অৱস্থাত আছিল তেওঁ-লোকৰ নাৰীসমাজ, শ্ৰমিক আৰু কৃষক, আৰু সুদূৰ প্ৰান্তীয় অঞ্চলৰ জনসাধাৰণক শিক্ষাৰ মানত দেশৰ বাকী অংশৰ অধিবাসীসকলৰ সমতুল্য কৰি তোলাৰ কাৰণে সেইবিলাক নিগৃহীত জাতিৰ সংস্কৃতিক পুনৰুজ্জীবিত কৰাৰ ফালে বিশেষ দৃষ্টি দিয়া হয়।

ছোভিয়েত ইউনিয়নত বিভিন্ন সময়ত যি ধৰণৰ বিদ্যালয়েই নাথাকক লাগে, তাৰ মূলতে এটি বস্তুৱেই কাম কৰিছিল—

সেইটি হৈছে লোকশিক্ষাক সংগঠিত কৰাৰ নীতি—এই নীতিৰ কেতিয়াও পৰিবৰ্তন হোৱা নাই। তাৰ ফলত সাংস্কৃতিক জীৱনৰ ক্ষেত্ৰত প্ৰত্যেক নাগৰিকৰ সমান সুযোগ লাভ সুনিশ্চিত হয়, শিক্ষাই ৰাষ্ট্ৰীয় চৰিত্ৰ গ্ৰহণ কৰে (বেচৰকাৰী বিদ্যালয় আৰু অন্যান্য বেচৰকাৰী ট্ৰেনিং আৰু শিক্ষা প্ৰতিষ্ঠান পৰিচালনা তুলি দি); মাধ্যমিক আৰু উচ্চ শিক্ষালাভৰ সুযোগ, বিনামাছুলে পঢ়াৰ ব্যৱস্থা; প্ৰাক-বিদ্যালয়ৰ পৰা উচ্চ বিদ্যালয় পৰ্যন্ত নানা ধৰণৰ শিক্ষাপ্ৰতিষ্ঠানবোৰৰ ভিতৰত ঐক্য আৰু ধাৰাবাহিকতা ৰক্ষা, ধৰ্মনিৰপেক্ষ শিক্ষা, শিক্ষাৰ ক্ষেত্ৰত নাৰী পুৰুষৰ সমান অধিকাৰ; শিক্ষাৰ বিষয়ত সমস্ত ছোভিয়েত জাতিৰ সমান অধিকাৰ—মাতৃভাষাত শিক্ষা; বিদ্যালয় আৰু জীৱনৰ যোগসূত্ৰ, সাম্যবাদী গঠনকাৰ্যত অভ্যাস, শিক্ষা আৰু চৰিত্ৰ গঠনত ঐক্য, বৈজ্ঞানিক শিক্ষা আৰু প্ৰতিনিয়তভাৱে তাৰ নিখুঁতকৰণ, শিক্ষাৰ ভিতৰেদি মানৱতা আৰু উচ্চ আদৰ্শবোধ জাগ্ৰত কৰা, এফালে বিদ্যালয় আৰু অন্যান্য শিক্ষা প্ৰতিষ্ঠানবিলাকৰ মাজত ঘনিষ্ঠ যোগসূত্ৰ স্থাপন কৰা, আৰু এফালে শিক্ষাৰ কাৰণে গণসংস্থাবোৰৰ ফালে দৃষ্টি দিয়া—এই সকলোবোৰেই হৈছে ছোভিয়েত শিক্ষাৰ মূল নীতি।

শিক্ষাৰ দুৱাৰ যথাৰ্থতে সকলোৰে সমুখত খুলি ধৰিবলৈ

হলে ব্যাপকভাৱে শিক্ষা-প্ৰতিষ্ঠানবোৰ স্থাপন কৰা দৰকাৰ। তৰুণ শ্ৰমিক আৰু কৃষকসকলক অতি কম সময়ৰ ভিতৰতে এনেভাৱে শিক্ষিত কৰি তুলিব লাগিব যাতে তেওঁলোকে বিশ্ববিদ্যালয়সমূহত আৰু ইনষ্টিটিউটবিলাকত পঢ়িব পাৰে। ইনষ্টিটিউটবিলাকত ওৱৰ্কাৰ্চ ফেকাল্‌টি স্থাপন কৰি ছোভিয়েত চৰকাৰে এই কাম সম্পাদন কৰে। এইবোৰ ফেকাল্‌টিয়ে হাজাৰ হাজাৰ শ্ৰমিক আৰু কৃষকক উচ্চ বিদ্যালয়ত প্ৰবেশৰ উপযুক্ত কৰি তোলে। তাৰোপৰি, ছাত্ৰসকলক বৃত্তি আৰু ছাত্ৰাবাস দিয়া হয়।

ছোভিয়েত আমোলত শিক্ষাপ্ৰতিষ্ঠান আৰু ছাত্ৰৰ সংখ্যা বহুগুণ বাঢ়ি গৈছে। ৰাষ্ট্ৰীয় খৰচত ৯১৫৬৯টা মাধ্যমিক বিদ্যালয়ৰ ঘৰ নিৰ্মাণ হৈছে। ইয়াৰ ভিতৰত আছে নগৰৰ ২৭৯২১টা আৰু গাঁও অঞ্চলৰ ৬৩৬৪৮টা বিদ্যালয়। এইবোৰত মুঠ ২ কোটি ৮০ লাখ ছাত্ৰই পঢ়ে। ইয়াৰ উপৰিও, যুদ্ধোত্তৰ-কালত যৌথ পামবোৰে (নিজ খৰচত) ৫০ হাজাৰতো বেছি বিদ্যালয় স্থাপন কৰিছে। এইবোৰত ৬২ লাখ ছাত্ৰৰ পঢ়াৰ ব্যৱস্থা আছে।

আজি ছোভিয়েত ইউনিয়নত আছে ২ লাখ ৪ হাজাৰ মাধ্যমিক বিদ্যালয় আৰু এইবোৰত ৪ কোটি ৯০ লাখ

ছাত্রই পঢ়ে। তাৰ উপৰিও আছে ৪ হাজাৰৰো অধিক কাৰিকৰী বিদ্যালয় যিবোৰৰ ছাত্ৰসংখ্যা ৪৩ লাখ আৰু আছে ৭৯৯টা ইনষ্টিটিউট যিবোৰৰ ছাত্ৰসংখ্যা ৪৫ লাখ। তাৰ অৰ্থ ছোভিয়েত আমোলত সমস্ত শিক্ষাপ্ৰতিষ্ঠানক ধৰিলে ছাত্ৰসংখ্যা ২০৪ গুণ বাঢ়িছে।

বিপ্লৱৰ আগত কছিয়াৰ সংখ্যালঘু জাতিবিলাক কাৰ্যতঃ শিক্ষাৰপৰা বঞ্চিত আছিল। বৰ্তমানৰ বিয়েলোৰুছিয়া, লিথুৱেনিয়া, মলদাভিয়া, আজাৰবাইজান, আৰ্মেনিয়া, কাজাখ, উজবেগ, তুৰ্কমেন, তাজিক আৰু কিৰঘিজ অঙ্গ প্ৰজাতন্ত্ৰসমূহৰ এলেকাত অক্টোবৰ বিপ্লৱৰ পূৰ্বতে এটিও উচ্চ বিদ্যালয় নাছিল।

প্ৰতি ১০,০০০ অধিবাসীৰ মাজত ইনষ্টিটিউট আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ সংখ্যা ধৰিলে এতিয়া ছোভিয়েত ইউনিয়নৰ সমস্ত প্ৰজাতন্ত্ৰবোৰেই বহু উন্নত পুঁজিবাদী দেশক চেৰ পেলাই গৈছে। বৰ্তমান তুৰ্কমেনিয়াত প্ৰতি ১০,০০০ জন অধিবাসীৰ ভিতৰত ১৩১ জন ছাত্ৰ; তাজিকিস্তানত ১৪৫ জন; কিৰঘিজিয়াত ১৫০ জন; কাজাখস্তানত ১৪৬ জন; উজবেকিস্তানত ১৯২ জন; আজাৰবাইজানত ১৭৮ জন; লিথুৱেনিয়াত ১৭৪ জন, মলদাভিয়াত ১২৪ জন আৰু আৰ্মেনিয়াত ২১০ জন। এই অনুপাতে ফেডাৰেল জাৰ্মান প্ৰজাতন্ত্ৰৰ ৪৯ জন;

ইটালীৰ ৬৫ জন ; গ্ৰেট-ব্ৰিটেনৰ ৬৩ জন ; ফ্ৰান্সৰ ৮৮ জন ; জাপানৰ ৯৯ জন ; তুৰ্কীৰ ২৯ জন আৰু ইৰানৰ ১৪ জন।

স্কুলৰ আগতে আৰু স্কুলত

জনশিক্ষাৰ ছোভিয়েত ব্যৱস্থাৰ ভিতৰত আছে প্ৰাক্-বিদ্যালয়কালীন প্ৰতিষ্ঠানসমূহ ; সাধাৰণ শিক্ষাৰ কাৰণে বিভিন্ন ধৰণৰ বিদ্যালয়সমূহ ; নিম্নমানৰ বৃত্তিমূলক বিদ্যালয়সমূহ (বিশেষ ধৰণৰ মাধ্যমিক বিদ্যালয় আৰু বৃত্তিমূলক বিদ্যালয়সমূহ) ; মধ্য মানৰ (কাৰিকৰী স্কুল) আৰু উচ্চ মানৰ (বিশ্ববিদ্যালয় আৰু ইনষ্টিটিউটসমূহ)। তাৰ বাহিৰেও আছে শিশু আৰু কিশোৰসকলৰ বিশেষ ব্যুৎপত্তি অৰ্জনৰ শিক্ষালয়সমূহ আৰু তৰুণ আৰু বয়স্কসকলৰ কাৰণে শিক্ষা আৰু সংস্কৃতিবিষয়ক প্ৰতিষ্ঠানবিলাক।

প্ৰাক-বিপ্লৱ আমোলত ৰুছিয়াৰ বিদ্যালয়পূৰ্ব শিক্ষাৰ কাৰণে ১৫০টিৰ দৰে কিণ্ডাৰগাৰ্টেন আছিল যিবিলাকৰ অধিকাংশ আছিল ব্যক্তিগত মালিকীস্বত্বত। বিপ্লৱৰ পাছত বিদ্যালয়পূৰ্ব শিক্ষাক চৰকাৰী শিক্ষাপদ্ধতিৰ অন্তৰ্ভুক্ত কৰা

হয়। শিশু লালনাগাৰ আৰু কিণ্ডাৰগার্টেনসমূহত শিক্ষকসকলে শিশুইতৰ পৰিয়ালবিলাকৰ লগত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰি সিহঁতৰ নৈতিক, নান্দনিক আৰু মানসিক উৎকর্ষৰ ফালে দৃষ্টি ৰাখে।

যিহেতু উৎপাদন আৰু সামাজিক কামত মহিলাসকলে বেছিকৈ যোগ দিছে সেইহেতুকে জাতীয় অর্থনীতিৰ লগত সঙ্গতি ৰাখি বিদ্যালয়পূর্ব শিক্ষাপদ্ধতি গঢ়ি উঠিছে।

ছোভিয়েত ইউনিয়নে গর্ব কৰিব পাৰে যে ১৯৬৯ চনতে তাৰ প্ৰাক-বিদ্যালয়কালীন স্থায়ী শিশু শিক্ষায়তনৰ (ক্ৰেচ আৰু কিণ্ডাৰগার্টেন) সংখ্যা আহি উঠিছেহি ৭৫ হাজাৰত য'ত ৯০ লাখ শিশুৰ স্থান সংকুলান হয় আৰু যিবোৰ দেখাশুনা কৰে ৫ লাখ শিক্ষকে। ইয়াৰ উপৰিও আছে বহু বতৰকালিৰ নাৰ্চাৰী স্কুল আৰু খেল-পথাৰ (এইবোৰ গ্ৰীষ্মকালত খোলে) যিবোৰে আৰু ৪৫ লাখ শিশুৰ সেৱা কৰে।

বর্তমান পাঁচবছৰীয়া পৰিকল্পনা অনুযায়ী আশা কৰা যায়, ১৯৭০ চনৰ ভিতৰতে চৰকাৰ-পৰিচালিত স্থায়ী প্ৰাক-বিদ্যালয় শিক্ষায়তনবোৰৰ শিশুসংখ্যা গৈ উঠিবগৈ ১ কোটি ১৫ লাখত। তাৰ অৰ্থ হ'ল ইয়াৰ দ্বাৰা প্ৰধানতঃ চহৰবাসীসকলৰ প্ৰয়োজন পূৰণ হ'ব আৰু গ্ৰামাঞ্চলৰ অৱস্থাৰো যথেষ্ট উন্নতি হ'ব।

ছোভিয়েত প্ৰাক-বিদ্যালয় শিক্ষায়তনবোৰ দেখাশুনা কৰে বিশেষভাৱে শিক্ষণপ্ৰাপ্ত চিকিৎসক আৰু শিক্ষকসকলে। তেওঁলোকে কেৱল শিশুইতৰ স্বাস্থ্যৰ ফালেই চকু নিদিয়ে, সকলো কালৰপৰাই যাতে সিহঁতৰ উন্নতি হয় সেই ফালেও তেওঁলোক বিশেষ যত্নবান থাকে। অভিজ্ঞতাই নিশ্চিতকৈয়ে দেখুৱায় যে কিণ্ডাৰগাৰ্টেনৰপৰা যিবোৰ শিশু বিদ্যালয়ত ভৰ্তি হয় অধিকাংশ ক্ষেত্ৰতে দেখা যায় যে সিহঁতে সম্পূৰ্ণৰূপে পৰিয়ালত লালিত-পালিত শিশুইতৰ তুলনাত বেছি অগ্ৰসৰ। তাৰোপৰি, পিতামাতাৰ প্ৰতি সিহঁতৰ আকৰ্ষণ অধিক শক্তিশালী হয়।

ছোভিয়েত শিক্ষানীতি হল সমগ্ৰ দেশৰে শিক্ষাৰ মান উন্নত কৰাৰ নীতি। ছোভিয়েত ইউনিয়নত সকলোৰে কাৰণেই আজি শিক্ষা আৰু সংস্কৃতিৰ পথ সুগম। সংবিধানৰ দ্বাৰা প্ৰত্যেক নাগৰিকৰ শিক্ষাৰ অধিকাৰ স্বীকৃত আৰু তাক সুনিশ্চিত কৰা হৈছে সৰ্বজনীন আৰম্ভিক আঠ বছৰৰ শিক্ষা, সাধাৰণ মাধ্যমিক আৰু পলিটেকনিকেল শিক্ষাৰ ব্যাপক ব্যৱস্থা, বিশেষ মাধ্যমিক আৰু উচ্চতৰ শিক্ষাসংস্থাসমূহ, সৰ্বস্তৰত বিনা মাচুলে শিক্ষা, চৰকাৰী বৃত্তি আৰু শিক্ষাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ব্যয়ত ঘৰবাৰী নিৰ্মাণ ইত্যাদিৰ দ্বাৰা।

১৯৩০ চনত ছোভিয়েত ইউনিয়নে চাৰি বছৰৰ সৰ্বজনীন আৰু আৰম্ভিক শিক্ষা প্ৰবৰ্তন কৰে; ১৯৪৯ চনত হয় সাত বছৰীয়া শিক্ষা সৰ্বজনীন আৰু আৰম্ভিক। ১৯৫৯ চনত সি হয় আঠ বছৰৰ। কমিউনিষ্ট পাৰ্টিৰ কৰ্মসূচী হল ১৯৭০ চনৰ ভিতৰত মাধ্যমিক শিক্ষাক সম্পূৰ্ণৰূপে সৰ্বজনীন কৰা। বৰ্তমানে সেয়ে অনুসৃত হৈছে।

বিদ্যালয়ত শিক্ষাক্ৰমৰ দুটা স্তৰ আছে: শ্ৰম আৰু পলিটেকনিকেল (আঠ বছৰ, অসম্পূৰ্ণ মাধ্যমিক) বিদ্যালয়ত ৭ বছৰৰ পৰা ১৬ বছৰৰ লৰা-ছোৱালীবিলাকে সাধাৰণ আৰু পলিটেকনিকেল বিষয়ৰ মৌল জ্ঞান, শ্ৰমপ্ৰীতি আৰু সমাজ-কল্যাণৰ কাৰ্য্যাৱলী আৰু নৈতিক, শাৰীৰিক আৰু নান্দনিক বিষয়ত শিক্ষা লাভ কৰে। দ্বিতীয় স্তৰটো হল পূৰ্ণ মাধ্যমিক বিদ্যালয় (৯-১০ মান) য'ত পূৰ্ব স্তৰত পোৱা শিক্ষাক আৰু বিকশিত আৰু দৃঢ় কৰি তোলা হয়। সাধাৰণ ধৰণৰ বিদ্যালয়ৰ বাহিৰেও ছোভিয়েত ইউনিয়নত আবাসিক বিদ্যালয়, গোটেই দিনজোৰা বিদ্যালয় আৰু কোনো প্ৰকাৰৰ প্ৰতিবন্ধকতা থকা শিশুসকলৰ কাৰণে বিশেষ ধৰণৰ বিদ্যালয়সমূহ আছে। আবাসিক বিদ্যালয়সমূহত ছাত্ৰছাত্ৰীসকলৰ ব্যয়ভাৰ চৰকাৰে বহন কৰে, বাপেক-মাকে তেওঁলোকৰ আয়ৰ অনুপাতে

আংশিক খৰচ বাবদ অলপ দিছে। ৰোজকাৰ কম হলে একোকে দিব নালাগে, যাৰ কিছু সামৰ্থ্য আছে তেওঁলোকে খুব বেছি মাহে ৬ ৰুবলৰ পৰা ১৬ ৰুবলৰ দৰে দিব লাগে। আবাসিক বিদ্যালয়বোৰৰ কাম চলে চৌবিশ ঘণ্টা (ছুটীৰ দিন আৰু মৌচুমী ছুটীৰ বাদে), আৰু গোটেই দিনব্যাপী বিদ্যালয়বিলাক চলে পুৱা ৮ টাৰ পৰা সন্ধ্যা ৬টা পৰ্য্যন্ত।

বিশেষ ধৰণৰ বিদ্যালয়সমূহে (মূক আৰু বধিৰ, অন্ধ, যিসকলে কাণেৰে কম শুনে, চকুৰে কম দেখে এনে ধৰণৰ লৰা-ছোৱালীবিলাকৰ কাৰণে স্থাপিত) একমাত্র অক্টোবৰ বিপ্লৱৰ পাছতেই চৰকাৰী প্ৰতিষ্ঠানৰূপে দেখা দিয়ে। ছোভিয়েত শিক্ষা ব্যৱস্থাত যি মানৱিক দিকটো• আছে এইবোৰ তাৰেই সুস্পষ্ট নিদৰ্শন।

বৰ্তমান ৭ কোটি ৭০ লাখ ছোভিয়েত ছাত্ৰছাত্ৰী শিক্ষাত ৰত আছে। এফালে ছোভিয়েত চৰকাৰে যেনেকৈ সৰ্বজনীন সাক্ষৰতা আনিবলৈ আৰু সাধাৰণ শিক্ষাৰ স্তৰ উন্নত কৰিবলৈ সক্ষম হৈছে, সেইদৰেই আনফালে দেশৰ সকলো ঠাইতে ব্যাপকভাৱে মাধ্যমিক বিদ্যালয়সমূহ স্থাপন কৰি উচ্চতৰ শিক্ষাৰ ভিত্তি সুদৃঢ় কৰিছে যাৰ ফলত এতিয়া প্ৰতি বছৰে প্ৰায় সত্তৰ লাখ কৰি তৰুণ-তৰুণী স্নাতক হৈছে।

বিদ্যালয়ৰ পাঠ্যক্ৰম

প্ৰথম চাৰিটা মানব শিক্ষা প্ৰাথমিক পৰ্য্যায়ৰ। এজন শিক্ষকে সপ্তাহত সকলো বিষয়তে ২৪ টি পাঠ দিয়ে।

প্ৰধান বিষয় মাতৃভাষা। অবছীয় অঞ্চলত বিদ্যালয়বিলাকত ৰুছ ভাষা বাধ্যতামূলক নহয়। শিক্ষাসূচীত থাকে লিখিবলৈ আৰু পঢ়িবলৈ শিকা, ব্যাকৰণ শিকা আৰু লিখক হবলৈ শিকা।

প্ৰাথমিক বিদ্যালয়ৰ পাঠ্য বিষয়বোৰ হৈছে: গণিত, দিনেৰ একোটিকৈ পাঠ, অঙ্কন আৰু সঙ্গীত—সপ্তাহত এটিকৈ পাঠ, শৰীৰচৰ্চা আৰু হস্তশিল্প—সপ্তাহত দুদিন। চতুৰ্থ মানত দুটি নতুন বিষয় শিকোৱা হয়—প্ৰকৃতি পৰিচয় আৰু ইতিহাস—সপ্তাহত প্ৰতিটোৰে দুটাকৈ পাঠ।

প্ৰাথমিক বিদ্যালয়ত ছাত্ৰবিলাকৰ মাজত সৌন্দৰ্য্যবোধ জগাই তোলাৰ অৰ্থাৎ প্ৰকৃতি, সংগীত, সাহিত্য আৰু চাৰু শিল্পৰ মাজত থকা সৌন্দৰ্যৰ উপলব্ধি কৰিব পৰা ক্ষমতা জগাই

তোলাৰ চেষ্টা কৰা হয় আৰু তাৰ ফলত তেওঁলোকৰ মাজত পৰিচ্ছন্নতাবোধ, নম্রতা আৰু সৌজন্যবোধ আহে। জনসাধাৰণৰ লগত কেনেকৈ ব্যৱহাৰ কৰিব লাগে তেওঁলোকক তাকো শিকোৱা হয়।

আঠ বছৰীয়া বিদ্যালয়ৰ ওপৰৰ ধাপবিলাকত ছাত্রবিলাকক শিকোৱা হয় প্রকৃতি বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ মূল কথা-বিলাক আৰু বাস্তৱক্ষেত্রত তথা দৈনন্দিন জীৱনত সেইবিলাকৰ সম্পৰ্কৰ বিষয়ে। ইয়াত মৌল পলিটেকনিকেল ট্রেনিং দিয়া ব্যৱস্থা আছে আৰু বৈজ্ঞানিক বস্তুবাদী দৃষ্টিভঙ্গিৰ ভিত্তিও ইয়াতে ৰচিত হয়। তাৰোপৰি শ্রম, শৰীৰচৰ্চা আৰু সৌন্দর্যবোধ বিষয়ে শিক্ষা দিয়া হয়। প্রকৃতি বিজ্ঞান আৰু গণিতৰ বিষয়-বিলাকৰ কাৰণে নিদিষ্ট আছে ১৫৬৫ ঘণ্টা আৰু হিউমেনিটিজৰ বিষয়বিলাকৰ কাৰণে নিদিষ্ট আছে ১৫৩৫ ঘণ্টা। স্বভাৱতেই ৫-৮ ধাপত এনে কিছুমান বিষয় পঢ়োৱা হয় যাতে মাধ্যমিক বিদ্যালয়ৰ পাঠ সম্পূর্ণ কৰিব পৰাকৈ গুৰুত্বপূর্ণ বিষয় থাকে। এই ধাপবিলাকৰ অন্তর্ভুক্ত পূর্ণ পাঠ্য বিষয়বিলাক হ'ল (অর্থাৎ, মাধ্যমিক বিদ্যালয়ৰ পাঠ সম্পূর্ণ কৰাৰ কর্মসূচী) মাতৃভাষা, প্রাচীন ইতিহাস, মধ্যযুগৰ বুৰঞ্জী, প্রাকৃতিক ভূগোল, পৃথিৱীৰ বিভিন্ন অংশৰ আৰু প্রধান প্রধান দেশবিলাকৰ ভূগোল,

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ ভূগোল, উদ্ভিদ বিজ্ঞান, প্ৰাণীবিজ্ঞান, শাৰীৰস্থান বিদ্যা, আৰু শৰীৰ বিজ্ঞান, অঙ্কন, সংগীত, গান আৰু দহ বছৰীয়া বিদ্যালয় পাঠ্যসূচীৰ গণিত, বিদেশী ভাষ আৰু সাহিত্যৰ প্ৰধান অংশ। এইভাৱে আঠ-বছৰীয়া বিদ্যালয় আৰু দহ-বছৰীয়া বিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজত ঐক্যসাধন কৰা হয় আৰু ধাৰাবাহিকতা বজায় ৰখা হয়।●

আধুনিক উৎপাদনৰ বৈজ্ঞানিক ভিত্তিৰ লগত সম্পৰ্ক ৰাখি গণিত, পদাৰ্থ-বিদ্যা, ৰসায়নবিদ্যা, জীৱবিদ্যা আৰু অন্যান্য বিষয়ত শিক্ষা দিয়া হয়। কিভাৱে উৎপাদন হয় আৰু তাৰ প্ৰযুক্তিপদ্ধতি কি, আধুনিক উৎপাদনত বৈজ্ঞানিক জ্ঞান কিভাৱে প্ৰয়োগ কৰা হয়, স্থানীয় উৎপাদন আৰু বিদ্যালয়ৰ কৰ্মশালাত ছাত্ৰসকলক কামৰ মাজেদি এই কথা শিকোৱা হয়।

উচ্চতৰ পৰ্যায়ত সাধাৰণ শিক্ষণীয় বিষয়বিলাক উন্নত বৈজ্ঞানিক স্তৰত শিক্ষা দিয়া হয়। বৈজ্ঞানিক পদ্ধতিৰে যাবতীয় শিক্ষা দিয়া হয় আৰু প্ৰকৃতি আৰু সমাজৰ প্ৰকৃত মৰ্ম উপলব্ধি কৰিবলৈ বাবে বৈজ্ঞানিক দৃষ্টি দিয়া হয়। কাৰণ যিমানেই দিন যায় এই পদ্ধতিবিলাক সিমানে নিখুঁত হৈ উঠে আৰু প্ৰবৰ্তন কৰা হয় নতুন নতুন সূক্ষ্ম পদ্ধতি যিবিলাক অধিক কাৰ্যকৰ হৈ উঠে। বিদ্যালয়ত এই বিষয়বিলাক হাতে-কলমে শিক্ষা দিয়া

হয় কাৰণে ছাত্ৰবিলাকে বৈজ্ঞানিক ধাৰণা আৰু তত্ত্ববিলাক উপলব্ধি কৰিবলৈ অধিক সক্ষম হয়।

বিদ্যালয়ৰ পাঠ্যবিলাকৰ মাজত গণিতৰ এটা প্ৰধান স্থান আছে, কাৰণ শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ আৱশ্যকতা খুব বেছি। ৯-১০ম মানৰ ছাত্ৰসকলে উচ্চ গণিতৰ পাঠ লয় আৰু এই পাঠ আৰম্ভ হয় "বীজগণিত আৰু প্ৰাৰম্ভিক বিশ্লেষণ" শাখাৰ পৰা।

দেশৰ আটাইতকৈ ভাল শিক্ষাবিশেষজ্ঞ, বিজ্ঞানী, শিক্ষণ-পদ্ধতিৰ বিশেষজ্ঞ, ডাক্তৰ আৰু অন্যান্য বিশেষজ্ঞসকলৰ ব্যাপক গৱেষণাৰ দ্বাৰা যেনেকৈ ছোভিয়েত বিদ্যালয়বিলাকৰ শিক্ষণ-পদ্ধতি আৰু শিক্ষণসূচী প্ৰস্তুত হয় তেনেকৈ ছোভিয়েত যুক্তৰাষ্ট্ৰৰ বিজ্ঞান একাডেমী আৰু শিক্ষাবিজ্ঞান একাডেমী, বিজ্ঞান-গৱেষণা আৰু শিক্ষা-সংক্ৰান্ত ইনষ্টিটিউটবিলাকৰ কৰ্মী-সকলেও ইয়াত অবদান যোগায়। স্কুলৰ পাঠ্যক্ৰম, কৰ্মসূচী আৰু পাঠ্যপুস্তকবিলাক সঘনাই এনেভাৱে পৰ্যালোচনা কৰা হয় যাতে বিজ্ঞান ইঞ্জিনিয়াৰিং আৰু সংস্কৃতিৰ উন্নতিৰ লগত তাল ৰাখি বিদ্যালয়ৰ শিক্ষাব্যৱস্থা চলে।

বৃত্তিগত আৰু কাৰিকৰী মাধ্যমিক বিদ্যালয়সমূহ

বৃত্তিগত আৰু কাৰিকৰী মাধ্যমিক বিদ্যালয়সমূহৰ লক্ষ্য কাৰিকৰী শিক্ষাৰ দ্বাৰা দক্ষ শ্ৰমিক আৰু কৃষক গঢ়ি তোলা।

বৰ্তমান ছোভিয়েত বৃত্তিগত বিদ্যালয়সমূহৰ ভিতৰত প্ৰধানকৈ দুই ধৰণৰ বিদ্যালয় আছে। এটা হল বৃত্তিগত কাৰিকৰী বিদ্যালয়সমূহ যিবিলাকৰ পাঠ্যক্ৰম আঠ বছৰীয়া মাধ্যমিক বিদ্যালয়ৰ মানৰ পৰ্যায়ত; আৰু আন ধৰণৰ কাৰিকৰী বিদ্যালয়ত বিভিন্ন ধৰণৰ শ্ৰমত নিযুক্ত শ্ৰমিক-বিলাকৰ কাৰণে প্ৰতিষ্ঠিত পূৰ্ণ মাধ্যমিক বিদ্যালয়ৰপৰা উত্তীৰ্ণ স্নাতকসকলক শিক্ষা দিয়া হয়। পূৰ্বোক্ত বিদ্যালয় বিলাকত পাঠ্যক্ৰমৰ কাল বৃত্তি অনুযায়ী এবছৰৰ পৰা তিনি বছৰ পৰ্যন্ত।

এইবিলাক বিদ্যালয়ত তত্ত্বগত, ব্যৱহাৰিক আৰু সৌন্দৰ্য-বোধ তথা শাৰীৰিক বিষয়ে শিক্ষাদানৰ ব্যৱস্থা আছে। তত্ত্ব-গত শিক্ষাপ্ৰণালীত আছে বিশেষ আৰু সাধাৰণ প্ৰযুক্তিবিদ্যা, উৎপাদনৰ সাংগঠনিক আৰু অৰ্থনৈতিক ভিত্তি, মেকানিকচ

ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিং, গণিতশাস্ত্র আৰু কেইটামান বিশেষ বিষয়। সমাজবিজ্ঞান আৰু নন্দনতত্ত্ব-সম্পৰ্কেও শিক্ষা-দানৰ-ব্যৱস্থা আছে। নন্দনতত্ত্বৰ শিক্ষাপদ্ধতিৰ অন্যান্য বিষয়ৰ মাজত আছে শ্ৰমৰ মূলনীতি, উৎপাদনত নন্দনতত্ত্বৰ দিশ আৰু প্ৰাত্যহিক জীৱনত সৌন্দৰ্যোপলব্ধি। সাহিত্য, চাৰুকলা, স্থাপত্য, নাট্যকলা, সঙ্গীত আৰু চলচ্চিত্ৰৰ লগত ছাত্ৰবিলাক পৰিচিত হয়।

হাতেকলমে কাম কৰি অভিজ্ঞতা আৰু দক্ষতা অৰ্জনৰ কাৰণে ছাত্ৰবিলাকে বিদ্যালয়ৰ কৰ্মশালা আৰু পামত কাম কৰে। আৰু শিল্প প্ৰতিষ্ঠান আৰু কাৰখানাত অথবা সমবায় আৰু চৰকাৰী পামত হাতেকলমে শিক্ষা গ্ৰহণ কৰে।

কোনো কোনো বৃত্তিগত কাৰিকৰী বিদ্যালয়ক ব্যৱসায়গত শিক্ষাৰ বাহিৰেও পূৰ্ণ মাধ্যমিক বিদ্যালয়ৰ দৰেই সাধাৰণ শিক্ষাৰ ব্যৱস্থা আছে।

ৰাষ্ট্ৰই ছাত্ৰসকলৰ ব্যয়ভাৰ বহন কৰে। তেওঁলোকক বিনামূল্যে আহাৰ আৰু ইউনিফৰ্ম (বৃত্তিগত কাৰিকৰী বিদ্যালয়সমূহৰ কাৰণে) আৰু বৃত্তি (কাৰিকৰী বিদ্যলয়সমূহৰ কাৰণে) দিয়া হয়। চহৰৰ বাহিৰৰ ছাত্ৰসকলে ইচ্ছা কৰিলেই বিনামূল্যে ছাত্ৰাবাসত থাকিব পাৰে। হাতে-কলমে কাম

কৰাৰ সময়ত ছাত্ৰবিলাকে যি কাম কৰে তাৰ কাৰণে তেওঁ-লোকক পাৰিশ্ৰমিক দিয়া হয়।

বৃত্তিগত-কাৰিকৰী বিদ্যালয়সমূহত দিনৰ বিভাগৰ ক্লাছৰ বাহিৰে সান্ধ্য ক্লাছো আছে আৰু দক্ষ শ্ৰমিকবিলাকক শিক্ষা দিবৰ কাৰণে দিনৰ বিভাগৰ বিদ্যালয়বিলাকৰ সান্ধ্য বিভাগ আছে। যিসকল উৎপাদনৰ কামত নিযুক্ত আছে তেওঁলোকৰ কাৰণেই এই ব্যৱস্থা।

বৃত্তিগত শিক্ষাদানৰ চোভিয়েত ব্যৱস্থাত আছে ৪,৮০০ বৃত্তিগত-কাৰিকৰী বিদ্যালয় যিবিলাকৰ ছাত্ৰ সংখ্যা ২০ লাখ। জাতীয় অৰ্থনীতিৰ সকলো শাখাতেই কাম কৰাৰ উপযোগী ১৩ লাখ ছাত্ৰ ১৯৬৮ চনত এই বিদ্যালয়ৰপৰা স্নাতক হৈ ওলাইছে। ব্যক্তিগত উদ্যম, দলগত উদ্যোগ অথবা নিজ নিজ শিল্প প্ৰতিষ্ঠান বা যৌথপামত যি স্বল্পকালীন শিক্ষা লাভৰ সুযোগ পাইছে তাৰ ফলতেই ১ কোটি ৭০ লাখ মানুহে নতুন বৃত্তি পাইছে বা তেওঁলোকৰ দক্ষতা বাঢ়াইছে। ১৯৪০ চনৰপৰা ১৯৬৮ চন পৰ্যন্ত বৃত্তিগত কাৰিকৰী বিদ্যালয়বিলাকৰপৰা স্নাতক হৈ ওলোৱা ছাত্ৰৰ সংখ্যা ১ কোটি।

বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষা

শ্ৰমিকশ্ৰেণী আৰু কৃষকবিলাকৰ সাধাৰণ শিক্ষাৰ মান উন্নত কৰা আৰু লগে লগে শিক্ষিত শ্ৰেণীৰ সংখ্যা বঢ়োৱাৰ উদ্দেশ্যে স্থাপিত হৈছে বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষা সংস্থাসমূহ।

এইবিলাক শিক্ষাসংস্থাত ছাত্ৰবিলাকৰ মাজত শ্ৰমপ্ৰীতি জগাই তোলা হয় আৰু লগে লগে তেওঁলোকে সাধাৰণ আৰু বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষা তথা ব্যৱসায়গত ট্ৰেনিং লোৱাৰ সুযোগ পায়। ছোভিয়েত তৰুণসকলৰ মাজত এইবিলাক খুব প্ৰিয়। ভৰ্তি হবৰ কাৰণে প্ৰতিযোগিতামূলক পৰীক্ষা দিব লাগে। সাধাৰণ আৰু বিশেষৰূপে অৱধাৰিত মাধ্যমিক শিক্ষা (বিদ্যালয়ৰ শিক্ষা আঠ বছৰ আৰু তাৰ লগত বিশেষৰূপে অৱধাৰিত শিক্ষা চাৰি বছৰ) সমাপ্ত হোৱাৰ পিচত স্নাতকবিলাকে নিজ নিজ লাইনত কাম কৰিব পাৰে। আধুনিক উৎপাদন ব্যৱস্থাও বিশেষৰূপে অবধাৰিত শিক্ষাপ্ৰাপ্ত কৰ্মীসকলে সংগঠক আৰু শ্ৰমিক হিচাপে উৎপাদনৰ কামত

অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কোনো কোনো শিল্প প্ৰতিষ্ঠানত শ্ৰমিক আৰু ক'ৰমেনৰ কামত নিযুক্ত কৰ্মীবিলাকৰ মাজত শতকৰা ৮০ জনেই বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষাপ্ৰাপ্ত।

ছোভিয়েত যুক্তৰাষ্ট্ৰত ক্ৰমেই বেছিকৈ শ্ৰমজীৱী মানুহক উৎপাদনসহ সামাজিক কামকাজ পৰিচালনা কৰিবলৈ লৈ অহা হৈছে। এইবিলাক কাৰ্য সম্পাদন কৰিবলৈ হ'লে ছোভিয়েত শ্ৰমিক অৱশ্যেই শিক্ষিত আৰু দক্ষ হৈ উঠিব লাগিব। সেয়েহে, শ্ৰমিকবিলাকৰ সাংস্কৃতিক আৰু কাৰিকৰী মান উন্নয়নৰ দিশ বিচাৰ কৰিবলৈ গ'লে কেৱল প্ৰযুক্তিবিদ্যাৰ কথা বিবেচনা কৰিলেই নচলিব।

ছোভিয়েত শাসনকালত বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানবিলাকৰপৰা প্ৰায় ১ কোটি ২০ লাখ দক্ষ শ্ৰমিক আৰু কাৰিকৰ স্নাতক হৈ ওলাইছে। বিশেষৰূপে অবধাৰিত মাধ্যমিক শিক্ষাপ্ৰাপ্ত প্ৰায় ৯০ লাখ লোক শিল্প, কৃষি, শিক্ষা আৰু অন্যান্য ক্ষেত্ৰত কাম কৰে। ছোভিয়েত অৰ্থনীতি আৰু সংস্কৃতিৰ বিভিন্ন শাখাত তেওঁলোকে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি গৈছে।

বৰ্তমান ছোভিয়েত যুক্তৰাষ্ট্ৰত চাৰি হাজাৰতকৈও বেছি

বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয় আছে যিবিলাকৰ মুঠ ছাত্ৰসংখ্যা ৪৩ লাখ। জাতীয় অৰ্থনীতিৰ বিভিন্ন শাখাৰ কাৰণে ৰোৱা দহ বছৰত এইবিলাক বিদ্যালয়ৰপৰা ট্ৰেনিং লৈ যিবিলাক বিশেষজ্ঞ ওলাইছে প্ৰতি বছৰে তাৰ হাৰ হ'ব ৪ লাখৰপৰা ৯ লাখ মান।

তুলনা কৰিলে দেখা যাব, বিপ্লৱৰ আগতে বাছিয়াত বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয় আছিল ৪৫০টা আৰু তাৰ ছাত্ৰ সংখ্যা আছিল ৫৪,৩০০। এটা মাত্ৰ মাধ্যমিক কাৰিকৰী বিদ্যালয় আছিল ইৰকুৎস্কত। আৰু আজি এনেকুৱা বিদ্যালয় দেশৰ সকলো ঠাইতেই আছে, আনকি ক্ষুদ্ৰ ক্ষুদ্ৰ চহৰতো দেখা যায়। জাতীয় প্ৰজাতন্ত্ৰবিলাকত বিশেষৰূপে অৱধাৰিত মাধ্যমিক শিক্ষাৰ উন্নতিৰ কাৰণে বিশেষ চকু দিয়া হয়। বিপ্লৱৰ আগলৈকে গোটেই মধ্য এছিয়াত এই ধৰণৰ শিক্ষা প্ৰতিষ্ঠান মাত্ৰ এটাহে আছিল। সেইটো আছিল তাছখন্দৰ টিচাৰ্চ ছেমিনাৰ যাৰ ছাত্ৰসংখ্যা আছিল ৮৬। এতিয়া সেই মধ্য এছিয়াত এই ধৰণৰ ১৯৯ খন শিক্ষা প্ৰতিষ্ঠান আছে যিবিলাকত ২ লাখ ছাত্ৰই পঢ়াশুনা কৰে।

১৯১৪ চনত ৫০টা কাৰিকৰী বিদ্যালয়ত শিল্প, নিৰ্মাণকাৰ্য, যানবাহন আৰু যাতায়াত সম্পৰ্কে বিশেষজ্ঞসকলক শিক্ষা দিয়া

হৈছিল। সেইবিলাকত ১০ হাজাৰ ছাত্ৰৰ পঢ়াৰ ব্যৱস্থা আছিল। কৃষিৰ কাৰণে বিশেষজ্ঞ তৈয়াৰ কৰি তোলাৰ ব্যৱস্থা আছিল ২৪খন শিক্ষা প্ৰতিষ্ঠানত। সেইবিলাকত ছাত্ৰসংখ্যা আছিল ৪ হাজাৰ। আৰু আজি সেই ঠাইত শিল্প, নিৰ্মাণকাৰ্য, যানবাহন আৰু যাতায়াত ব্যৱস্থাৰ বিশেষজ্ঞ তৈয়াৰ কৰাৰ কাৰণে আছে ১,৫০০ বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয় যিবিলাকত ২০ লাখ ছাত্ৰই পঢ়াশুনা কৰে। কৃষি বিষয়ত বিশেষজ্ঞ তৈয়াৰ কৰাৰ কাৰণে আছে ৭০০ বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয় যাৰ ছাত্ৰ সংখ্যা ৫ লাখ।

দিনৰ শিক্ষা ব্যৱস্থাৰ বাহিৰেও আছে সান্ধ্যকালীন আৰু পাঠ্যসূচী বহিৰ্ভূত শিক্ষাৰ ব্যৱস্থা যিটো চোভিয়েত যুক্তৰাষ্ট্ৰত অত্যন্ত জনপ্ৰিয়। গোটেই দেশত ৩০০ স্বতন্ত্ৰ সান্ধ্য আৰু ৬০টাতকৈও বেছি পাঠ্যসূচী বহিৰ্ভূত বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয় আছে। তাৰোপৰি আছে ১২০০ সান্ধ্য আৰু ২০০০ পাঠ্যসূচী বহিৰ্ভূত বিভাগ। সান্ধ্য বিদ্যালয়-বিলাকত যিবিলাক ছাত্ৰই যোগ দিয়ে আৰু ডাকযোগে যিবিলাকে পঢ়াশুনা কৰে তেওঁলোকৰ সৰ্বমুঠ সংখ্যা হল ১৮ লাখ ২৪ হাজাৰ।



(প্ৰথম ছবি) ৰিয়েলোৰুছ প্ৰজাতন্ত্ৰৰ নোভোপোলৎস্কি ৪নং মাধ্যমিক বিদ্যালয়ৰ প্ৰথম মানৰ এটি পাঠ

তাজিকিস্তানৰ ৰাজধানী দুশ্বানবেত লেনিন বৰ্ডিং স্কুলৰ প্ৰাক্-বিদ্যালয় বিদ্যাৰ্থীসকলৰ লগত কিণ্ডাৰগাৰ্টেন শিক্ষিকা লাৰিছা মিথাইয়েভা



মস্কো অঞ্চলত ইয়েলেনোৰ এটি বিশ্ৰাম আবাসত তাছখন্দৰ এদল শিশুৱে গ্ৰীষ্ম কটাইছে

পঞ্চম মানৰ বিদ্যাৰ্থীসকলে গছৰ শিপা ইত্যাদি দি নানাৰকম স্মাৰক বস্তুবোৰ তৈয়াৰ কৰিছে

→

এটি বোৰ্ডিং স্কুলত লাইব্ৰেৰীৰ পাঠগৃহ



দ্বিতীয় মানৰ
ছাত্ৰসকলে কাগজ
কাটি ৰূপকথাৰ
গল্পৰ চৰিত্ৰবোৰৰ
ৰূপ দিছে



আজাৰবাইজান সমাজতান্ত্রিক প্রজাতন্ত্রৰ ছুমগাইতৰ এটি স্কুলত ইংৰাজীৰ পাঠ দিয়া হৈছে



মস্কোৰ ২নং স্কুলত ফৰাচী ভাষাত ৰসায়নবিদ্যাৰ পাঠ চলিছে



মস্কো অঞ্চলৰ ছেৰপুকোভত এটা স্কুল

A/33 MN

• উত্তৰ ককেছাছৰ চেচেনো-ইঙ্গুশ স্বায়ত্তশাসিত প্ৰজাতন্ত্ৰত গ্ৰোজনিৰ ৮ নং স্কুলত ৰন্ধাবঢ়াৰ পাঠ

পেত্ৰোভো-দালনেইয়ে গ্ৰাম্য স্কুলত [মস্কো অঞ্চল] বিদ্যাৰ্থীসকলে পাঠ-গ্ৰহণকালত এটা ট্ৰেক্টৰৰ কাৰিকৰী পৰ্য্যবেক্ষণৰ কাম চলাইছে







উচ্চমানৰ স্কুলৰ ছাত্ৰসকলৰ নাও বাইচ



ভাৰতীয় ছাত্ৰসকলে মস্কো বিশ্ববিদ্যালয়ৰ প্ৰিপাৰেটৰী



ফেবালূটি ঘৰত ৰুছ ভাষা শিক্ষাৰ ৰেকৰ্ড শুনিছে



আৰ্মেনিয়ান সমাজতান্ত্রিক প্রজাতন্ত্রক ইয়েৰেভান মেডিকেল ইনষ্টিটিউটত এটি বক্তৃতা

উচ্চতৰ শিক্ষা

ছোভিয়েত উচ্চতৰ শিক্ষা সংস্থাবিলাকৰ ভিতৰত বিশ্ব-বিদ্যালয়সমূহৰ এটা বিশেষ স্থান আছে। এই বিশ্ববিদ্যালয়-সমূহত প্ৰাকৃত আৰু যথাৰ্থ বিজ্ঞানসমূহ আৰু কলাৰ সকলো-বিলাক শাখা আছে। বিপ্লৱপূৰ্ব ৰাছিয়াত সাংস্কৃতিক উন্নতি আৰু বৈজ্ঞানিক জ্ঞান প্ৰসাৰ কৰাত এইবিলাকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এইবোৰ আছিল প্ৰগতিশীল বৈজ্ঞানিক চিন্তা আৰু বৈপ্লৱিক আন্দোলনৰ কেন্দ্ৰ।

বিপ্লৱৰ পিচত লেনিনে বিশ্ববিদ্যালয়সমূহৰ ফালে বিশেষ-ভাৱে চকু দিছিল। সেইবিলাকত গৱেষণা আৰু শিক্ষাদানৰ সাফল্যপূৰ্ণ সংযুক্তিলৈ লক্ষ্য কৰি তেওঁ কৈছিল যে, সেইবিলাকৰ আৰু উন্নতিৰ প্ৰয়োজন আছে।

১৯১৯ চনৰ জানুৱাৰীত দেশত যেতিয়া অৰ্থনৈতিক বিশৃঙ্খলা আৰু দুৰ্ভিক্ষ চলিছিল সেইসময়ত লেনিনৰ নেতৃত্বত জনগণৰ কমিছাৰসকলৰ পৰিষদে নতুন ছটা বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লয়। সেই একে বছৰতেই উৰালছ আৰু

তুৰ্কেস্তান (বৰ্তমানৰ তাচ্খন্দ) বিশ্ববিদ্যালয় দুটা স্থাপনৰ আদেশ জাৰী কৰা হয়। উৰালছ আৰু মধ্য এছিয়াত সেই দুটাই প্ৰথম উচ্চতৰ শিক্ষা প্ৰতিষ্ঠান। পৰবৰ্তীকালত এই দুটা বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ ভিত্তিত কিছুমান স্বতন্ত্ৰ ইনষ্টিটিউট সংগঠিত কৰা হয়।

ছোভিয়েত আমোলত শিক্ষাপ্ৰতিষ্ঠানৰূপে বিশ্ববিদ্যালয় খুব বেগাই গঢ়ি উঠিছে। ছোভিয়েত যুক্তৰাষ্ট্ৰত এতিয়া ৪৬টা বিশ্ববিদ্যালয় আছে যিবিলাকৰ ছাত্ৰসংখ্যা ৫ লাখ। (জাৰৰ আমোলত বাছিয়াত ৪৩ হাজাৰ ছাত্ৰই পঢ়িবপৰা ১৩টা বিশ্ববিদ্যালয় আছিল।)

কাৰিকৰী, ডাক্তৰি, শিক্ষা-গৱেষণা, অৰ্থনীতি প্ৰভৃতি বিষয়ত উচ্চ মানৰ বহুসংখ্যক শিক্ষাপ্ৰতিষ্ঠান গঢ়ি উঠিছে। এইবিলাকৰ জন্ম হৈছে বিশ্ববিদ্যালয়সমূহৰ পৰাই। বিজ্ঞানৰ ডক্টৰ আৰু কেণ্ডিডেটছ সকলক শিক্ষা দিয়াৰ এইবোৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ। মস্কো, লেনিনগ্ৰাদ, কিয়েফ, উৰালছ, ৰিয়াজান আৰু মধ্য এচিয়াৰ বিশ্ববিদ্যালয়বিলাকে উচ্চতৰ ছোভিয়েত শিক্ষা প্ৰতিষ্ঠানবিলাকৰ কাৰণে বিশেষ যোগ্যতাসম্পন্ন শিক্ষকবিলাকক শিক্ষা দিয়ে। এইবিলাক বিশ্ববিদ্যালয়ত বহুসংখ্যক বিশেষজ্ঞই সাধাৰণ কলাবিদ্যাৰ শিক্ষা পায়। বৰ্তমান ছোভিয়েত

ইউনিয়নত যিমান ছাত্ৰ আছে তাৰ শতকৰা ৩৯ জনেই এই লাইনত আছে।

অন্যান্য উচ্চতৰ শিক্ষাপ্ৰতিষ্ঠানবিলাকৰ মাজত আছে শিক্ষণবিদ্যা পৰিষদ, পাঠাগাৰ বিজ্ঞান পৰিষদ, অৰ্থনীতি আৰু আইন পৰিষদ, সাধাৰণ কলাবিদ্যাৰ শিক্ষাসংস্থাসমূহ। এই-বিলাকৰ মাজত শিক্ষণবিদ্যাৰ পৰিষদৰ সংখ্যাই বেছি। জাৰশাসিত ৰাছিয়াত মাত্ৰ দুটা ব্যক্তিগতভাৱে পৰিচালিত টিচাৰ্চ ট্ৰেনিং কলেজ আছিল। আৰু ১৯৬৮ চনত সেইঠাইত ছোভিয়েত যুক্তৰাষ্ট্ৰত ২০৬টা শিক্ষণবিদ্যা-বিষয়ক বিদ্যালয় আছে। তাৰ ছাত্ৰসংখ্যা প্ৰায় ৮ লাখ ৫০ হাজাৰ।

ছোভিয়েত ৰাষ্ট্ৰই সদায়েই উচ্চতৰ কাৰিকৰী শিক্ষাৰ পিনে বিশেষ চকু দি আহিছে।

জাৰৰ আমোলত ৰাছিয়াত মাত্ৰ ১৮টা উচ্চতৰ কাৰিকৰী প্ৰতিষ্ঠান আছিল। ১৬ কোটি অধিবাসীৰ দেশত এই সংখ্যা অতি নগণ্য।

আজি ছোভিয়েত যুক্তৰাষ্ট্ৰই গৰ্ব কৰিব পাৰে যে, দেশত বৰ্তমান ২২৮টা কাৰিকৰী প্ৰতিষ্ঠান আছে যিবিলাকত প্ৰায় ২০ লাখ ছাত্ৰ পঢ়ে। একমাত্ৰ ১৯৬৮ চনতেই এইবিলাক প্ৰতিষ্ঠানৰ পৰা ২ লাখতকৈও বেছি ছাত্ৰ স্নাতক ইঞ্জিনিয়াৰ

হৈ গ'লায়। ছোভিয়েত জাতীয় অর্থনৈতিক ক্ষেত্রত সর্বমুঠ ২০ লাখ ইঞ্জিনিয়াৰ কামত নিযুক্ত আছে।

সমকালীন বৈজ্ঞানিক আৰু প্রযুক্তি বিপ্লৱ সম্বন্ধে ছোভিয়েতবাসীসকল অচেতন নহয়। ছোভিয়েত উচ্চতৰ বিদ্যালয়বিলাকে ইলেকট্রনিকছ, অটোমেছন, ইলেকট্রো-মেট্রিকছ আৰু ৰেডিঅ'ফিজিকছৰ ক্ষেত্ৰত এতিয়া ক্রমেই বেছি সংখ্যাৰ ছাত্রক স্নাতক কৰি তুলিছে।

বর্তমান চলি থকা পাঁচ বছৰীয়া পৰিকল্পনাকালত (১৯৬৬-৭০) ছোভিয়েত যুক্তৰাষ্ট্রত ১১ লাখতকৈও বেছি ইঞ্জিনিয়াৰ আৰু ২২ লাখতকৈও বেছি কাৰিকৰ গঢ়ি তোলা হব। এই সংখ্যাৰ পিছত আৰু কবলৈ একো নেথাকে।

ছোভিয়েত উচ্চতৰ বিদ্যালয়ৰপৰা যিবিলাক স্নাতক ওলায় তেওঁলোক সমাজৰ কোন শ্রেণীৰ পৰা আহে? স্বের্দলোভস্ক প্রতিষ্ঠানৰ দিনৰ বিভাগলৈ যিবিলাক ছাত্র আহে তেওঁলোকৰ শতকৰা পঞ্চাশজনেই শ্রমিক পৰিয়ালৰ। "পাৰভোৰালস্কি" টিউব-ৰোলিং কাৰখানাৰ ইঞ্জিনিয়াৰ আৰু কাৰিকৰ সকলৰ মাজত এটা গণনাত দেখা যায় যে, শতকৰা ৪৪'৪ জন আহিছে শ্রমিক পৰিয়ালৰপৰা, শতকৰা ২৫'৬ জন কৃষক পৰিয়ালৰ আৰু শতকৰা ৩০ জন অফিচকৰ্মী পৰিয়ালৰপৰা।

ছোভিয়েত ৰাষ্ট্ৰই কৃষিৰিদ্যাৰ ক্ষেত্ৰত উচ্চতৰ শিক্ষাৰ কালে যথেষ্ট চকু দিয়ে। সম্প্ৰতি কেইবছৰমানত কৃষি-কলেজৰ সংখ্যা বহুত বাঢ়িছে। বিপ্লৱপূৰ্ব ৰাছিয়াত মাত্ৰ ১৭টা কৃষি প্ৰতিষ্ঠান আছিল আৰু তাত মাত্ৰ ৪৬০০ ছাত্ৰই পঢ়িব পাৰিছিল। আজি ছোভিয়েত যুক্তৰাষ্ট্ৰত আছে এনে ধৰণৰ ৯৮টা প্ৰতিষ্ঠান যিবিলাকত ৪ লাখমান ছাত্ৰই পঢ়িব পাৰে। বিচাৰবিবেচনা কৰি দেশৰ নানান স্থানত কৃষিকলেজবিলাকক এনেভাৱে বিয়পাই দিয়া হৈছে যে স্থানীয় কৃষিৰ প্ৰয়োজন অনুযায়ী বিশেষজ্ঞ গঢ়ি তোলা সম্ভৱ হয় (কাৰণ: সেই স্থানেই হব বিশেষজ্ঞৰ ভৱিষ্যৎ কৰ্মস্থল)। বেছিভাগ কৃষি-কলেজেই যৌথ আৰু ৰাষ্ট্ৰীয় পামৰ কামত লাগে লগাব পৰা ধৰণে গৱেষণা চলায়।

উচ্চতৰ চিকিৎসাবিদ্যা শিক্ষাৰ প্ৰতি ছোভিয়েত যুক্তৰাষ্ট্ৰই বিশেষ গুৰুত্ব দিয়ে। ১৯১৪ চনত ৰাছিয়াত ৬টা উচ্চতৰ চিকিৎসাবিদ্যাৰ প্ৰতিষ্ঠান আছিল। বছৰি এইবিলাকৰ পৰা হাজাৰ-ডেৰহাজাৰ মান স্নাতক চিকিৎসক ওলাইছিল। ছোভিয়েত শাসন ব্যৱস্থাৰ আৰম্ভণিৰ পৰাই লাখ লাখ কোটি কোটি মানুহৰ কাৰণে যথেষ্ট সংখ্যক উচ্চ শিক্ষিত চিকিৎসক যোগোৱাৰ দায়িত্ব দিয়া হয় চিকিৎসাবিদ্যাৰ প্ৰতিষ্ঠানবিলাকক।

১৯২৬ চনৰ ভিতৰত দেশত চিকিৎসাবিদ্যাৰ প্ৰতিষ্ঠানৰ সংখ্যা হয়গৈ ছাব্বিশ। বৰ্তমান সেই সংখ্যা বাঢ়ি গৈ হৈছেগৈ নব্বই। প্ৰায় ২ লাখ ৫০ হাজাৰৰ দৰে ছাত্ৰ এই প্ৰতিষ্ঠান বিলাকত পঢ়িব পাৰে।

ভৌগোলিক দিশৰপৰাও চিকিৎসাবিদ্যাৰ কলেজবিলাকৰ অৱস্থান বহুত পৰিবৰ্তন হৈছে। আজি এনে কিছুমান সুদূৰ অঞ্চলৰ চিকিৎসাবিদ্যাৰ কলেজ আৰু কেকান্টিবিলাকৰ পৰা উচ্চ শিক্ষিত ডাক্তৰসকল ওলাই আহিছে যিবিলাক অঞ্চলত পূৰ্বে চিকিৎসাবিদ্যাৰ প্ৰতিষ্ঠান থকাটো দূৰৈৰ কথা, কোনো-ৰকম চিকিৎসাৰ ব্যৱস্থাও নাছিল।

প্ৰতিষ্ঠানবিলাকত পাঠ্যকাল চাৰিৰ পৰা পাঁচ বছৰ। ব্যতিক্ৰম কেৱল চিকিৎসাবিদ্যাৰ প্ৰতিষ্ঠানবিলাকৰ ক্ষেত্ৰত। সেইবিলাকত ছাত্ৰবিলাকে ছয় বছৰৰ কোৰ্ছ শেষ কৰিব লাগে। তাৰোপৰি ভাবী ডাক্তৰক বৃহৎ কোনো অঞ্চল বা নগৰৰ চিকিৎসালয়ত বিশেষজ্ঞতা অৰ্জনৰ ক্ষেত্ৰত এবছৰ কাম কৰিব লাগে (ইনটাৰ্নশ্বিপ)। তাৰপিচত তেওঁ দিব লাগে তেওঁৰ বিশেষ বিষয়ত চৰকাৰী পৰীক্ষা। সেই পৰীক্ষাত পাছ কৰিলেহে তেওঁ ডাক্তৰৰ ডিপ্লোমা পায়।

দিনৰ বিভাগৰ ছাত্ৰসকলে পঢ়াশুনাত ভাল ফল দেখুৱাব

পাৰিলে চৰকাৰী বৃত্তি পায়। কোনো ছাত্রৰ যদি পৰিয়াল পোষণৰ দায়িত্ব থাকে আৰু তেওঁৰ বৃত্তিয়েই যদি একমাত্র আয় হয় তেতিয়াহলে তেওঁ বিশেষ তহবিলৰপৰা অতিৰিক্ত অর্থ পায়। এই তহবিল থাকে ৰেক্টৰৰ অধীনত। যিবিলাক ছাত্রই খুব ভাল নম্বৰ পায় তেওঁবিলাকক অন্যান্য ছাত্রৰ তুলনাত শতকৰা ২৫ ভাগ বেছি বৃত্তি দিয়া হয়। বিশিষ্ট ৰাজনীতিজ্ঞ, জননায়ক, নামকৰা বিজ্ঞানী, মনীষী আৰু শিল্পীসকলৰ নামত বৃত্তি আছে। যিবিলাক ছাত্রই বিশেষ প্রতিভাৰ পৰিচয় দিয়ে তেওঁলোকক এইবিলাক বৃত্তি দিয়া হয়। এইবিলাক বৃত্তিৰ পৰিমাণো সাধাৰণ বৃত্তিতকৈ বেছি।

ইয়াৰোপৰি শিল্প প্রতিষ্ঠান বা যৌথ পামৰপৰা যিবিলাক ছাত্র আহে তেওঁলোকে তেওঁলোকৰ পূর্ব কর্মস্থলৰ পৰা পেন-পটীয়া বৃত্তি পায়।

চহৰৰ বাহিৰৰ পৰা যিবিলাক ছাত্র পঢ়িবলৈ আহে তেওঁ-লোকক ছাত্রাবাসত ঠাই দিয়া হয়।

ছোভিয়েত যুক্তৰাষ্ট্রৰ সকলো ছাত্রয়েই (মাধ্যমিক বিদ্যালয়ৰ ছাত্রসহ) বিনামূলীয়াকৈ পাঠ্যপুস্তক, লাইব্রেৰি, লেবৰেটৰি ব্যৱহাৰ আৰু শিক্ষাৰ অন্যান্য সুযোগ পায়।

একেআষাৰতে কৰলৈ গলে ছাত্ৰৰ শিক্ষাঁৰ যাবতীয় ব্যয়ভাৰ বহন কৰে চৰকাৰে।

সান্ধ্য ৰ সাধাৰণ কলাবিদ্যাৰ শিক্ষা সোভিয়েতবাসীৰ মাজত অত্যন্ত জনপ্ৰিয়; তাৰ কাৰণ এই ব্যৱস্থাত শিক্ষালাভ কৰিবলৈ বা তেওঁলোকৰ যোগ্যতা বঢ়াবলৈ কামকাজ এৰি আহিব নেলাগে। ছোভিয়েত যুক্তৰাষ্ট্ৰত সান্ধ্য আৰু স্কুলীয় শিক্ষাৰ বহিৰ্বিভাগীয় শিক্ষা সংস্থাবিলাকৰ ছাত্ৰসংখ্যা ২৩ লাখৰো বেছি।

শ্ৰমিক আৰু কৃষকসকলে অৰ্থাৎ যিসকলে কায়িক শ্ৰম কৰে তেওঁলোকে এই শিক্ষাব্যৱস্থাকেই বেছি পছন্দ কৰে। বৰ্তমান যিবিলাক ছাত্ৰই সান্ধ্য বিভাগত বা ডাকযোগে পঢ়ে তেওঁ-বিলাকৰ মাজত শ্ৰমিক আৰু কৃষকৰ সংখ্যাই খুব বেছি। দৃষ্টান্ত স্বৰূপে কব পাৰি যে, "উৰালমাছ" কাৰখানাৰ প্ৰায় তিনিশ মান শ্ৰমিকে প্ৰতি বছৰে এনেকৈ ইঞ্জিনিয়াৰিং বা কাৰিকৰী বিদ্যাত ডিপ্লোমা পায়, ইয়াৰ কাৰণে তেওঁলোকৰ কাৰখানাৰ কামত কোনো ক্ষতি নহয়।

যিসকলে একেলগে কাম কৰে আৰু পঢ়াশুনাও চলায়, চৰকাৰে তেওঁলোকক বিশেষ সুযোগ দিয়ে। যেনে, উচ্চতৰ বিদ্যালয়বিলাকৰ সান্ধ্য বিভাগসমূহৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক

শ্ৰেণীৰ ছাত্ৰসকলক পৰীক্ষাৰ পাঠ সাজু কৰিবৰ কাৰণে বছৰত অতিৰিক্ত বিশ দিনৰ সবেতন ছুটী দিয়া হয়; বিশেষৰূপে অৱধাৰিত মাধ্যমিক বিদ্যালয়সমূহৰ সান্ধ্যবিভাগৰ ছাত্ৰবিলাকক দহদিনৰ ছুটী দিয়া হয়; আৰু ডাকযোগে যিবিলাক ছাত্ৰই পঢ়াশুনা কৰে তেওঁলোকে পায় ত্ৰিশ দিনৰ সবেতন ছুটী। প্ৰতিষ্ঠানৰ তৃতীয় বাৰ্ষিক শ্ৰেণীলৈ উঠিলেই সান্ধ্যবিভাগৰ ছাত্ৰসকলে পায় ত্ৰিশদিনৰ অতিৰিক্ত ছুটী; বিশেষ ধৰণৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰসকলে পায় বিশ দিনৰ ছুটী আৰু যিসকলে স্কুলীয়াশিক্ষাৰ বহিৰ্বিভাগীয় পাঠ লয় তেওঁলোকে পায় চল্লিশ দিনৰ সবেতন ছুটী।

সান্ধ্য বিভাগত আৰু স্কুলীয়া শিক্ষাৰ বহিৰ্বিভাগীয় শিক্ষা গ্ৰহণকৰাসকলে চৰকাৰী পৰীক্ষাৰ কাৰণে সাজু হবলৈ ত্ৰিশদিনৰ অতিৰিক্ত সবেতন ছুটী পায় আৰু স্নাতক হবৰ কাৰণে গৱেষণাপত্ৰ তৈয়াৰ কৰিবলৈ এইবিলাক ছাত্ৰক দুমাহৰ ছুটী (বিশেষৰূপ অৱধাৰিত মাধ্যমিক বিদ্যালয়সমূহৰ ছাত্ৰসকল) আৰু চাৰি মাহৰ ছুটী (প্ৰতিষ্ঠানৰ ছাত্ৰসকলক) দিয়া হয়।

এইবিলাক সবেতন ছুটীৰ ওপৰিও শেষ পৰীক্ষাৰ বছৰত ছাত্ৰসকলে তেওঁলোকৰ নিৰ্বাচিত কৰ্মক্ষেত্ৰত উৎপাদন পদ্ধতিৰ

লগত নিজকে পৰিচিত কৰা বা স্নাতক পৰীক্ষাৰ গৱেষণাপত্ৰ ৰচনাৰ কাৰণে এক মাহৰ অতিৰিক্ত ছুটী পাব পাৰে (অবেতন)। শেষ পৰীক্ষাৰ বছৰত ছাত্ৰসকলে সপ্তাহত এদিন ছুটী লব পাৰে আৰু ইয়াৰ কাৰণে তেওঁলোকক দৈনিক উপাৰ্জনৰ আধা দিয়া হয়। ইচ্ছা কৰিলে তেওঁলোকে সপ্তাহত দুই তিনিদিন অবেতন ছুটীও লব পাৰে।

লেবৰেটৰিৰ কামত বা পৰীক্ষা দিবৰ কাৰণে শিক্ষা-প্ৰতিষ্ঠানবিলাকলৈ আহোতে ছাত্ৰসকলৰ যি যাতায়াত খৰচ হয় তাৰ আধাহে মাত্ৰ তেওঁলোকে দিব লাগে।

শেষ পৰীক্ষাৰ বছৰত ছাত্ৰসকলে যদি তত্বগত বিষয়ত, গৱেষণা বা ডিজাইনৰ কামত বেছিকৈ মন দিবলৈ বিচাৰে তেতিয়াহলে তেওঁলোকে তেওঁলোকৰ কাম এৰি দি দিনৰ বিভাগৰ ফেকাল্টিলৈ গুচি আহিব পাৰে।

সবাৰো ওপৰত যোগ্যতা

১৯৬১ চনৰ ১২ এপ্ৰিলত এজন নভশ্চৰক লৈ প্ৰথম মহাকাশ-যানখন কক্ষপথত স্থাপিত হয়। ১০৮ মিনিটত ছোভিয়েত

নাগৰিক য়ুৰি গাগাৰিনে পৃথিৱী প্ৰদক্ষিণ কৰে। পৰবৰ্তীকালত তেওঁ কয়, তেওঁৰ যি মহাকাশযানৰ পৰ্যটনৰ দ্বাৰা মহাজাগতিক যুগৰ সূচনা হৈছে তাৰ ভিত্তি হ'ল সমাজতন্ত্ৰ।

প্ৰথম মহাকাশচৰজনে ইয়াৰদ্বাৰা এইটোৱেই বুজাবলৈ বিচাৰিছে যে, যিখন আগতে আছিল এখন অনগ্ৰসৰ কৃষিপ্ৰধান দেশ, একমাত্ৰ সমাজতন্ত্ৰইহে সেই ৰাছিয়াক বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ উন্নতিৰ এনে এটা উচ্চস্তৰত উপনীত কৰিব পাৰিছে। আৰু সমগ্ৰ জাতিৰ কাৰণে যি চৰকাৰী শিক্ষাৰ ব্যৱস্থা হৈছে তাৰো মূলতে হৈছে সমাজতন্ত্ৰ। জাতিৰ সাংস্কৃতিক জীৱনত এটা আমূল পৰিবৰ্তন আহিছে। ছোভিয়েতৰ আমোলত এক নতুন শিক্ষিত সমাজে দেখা দিছে যি সমাজে অতি সূক্ষ্ম কাৰিকৰী আৰু বৈজ্ঞানিক কামকাজবিলাক সম্পন্ন কৰিবলৈ সক্ষম হৈছে।

প্ৰশিক্ষণৰৰ গুণ নিৰ্ভৰ কৰে শিক্ষাদানৰ স্তৰৰ ওপৰত আকৌ শিক্ষাদানৰ স্তৰ নিৰূপিত হয় শিক্ষকসকলৰ যোগ্যতাৰ দ্বাৰা। ছোভিয়েত যুক্তৰাষ্ট্ৰত এনে বহুত উচ্চতৰ শিক্ষা প্ৰতিষ্ঠান আছে যিবিলাকে গুৰুত্বপূৰ্ণ গৱেষণাকাৰ্য চলোৱাৰ উপৰিও উচ্চতৰ বিদ্যালয়সমূহৰ কাৰণে শিক্ষকসকলক ট্ৰেনিং দিয়ে। বিশ্ববিদ্যালয়সমূহে আৰু কলেজবিলাকে এই ক্ষেত্ৰত বহুখিনি

কাম কৰে। প্ৰতি বছৰতেই ২০ হাজাৰৰ পৰা ২৫ হাজাৰমান ডাক্তৰিবিদ্যাৰ পৰীক্ষাৰ্থী আৰু ডাক্তৰসকলৰ গৱেষণাপত্ৰ এইবিলাক শিক্ষা প্ৰতিষ্ঠানত দাখিল কৰা হয়।

প্ৰত্যেক বিষয়ৰ কাৰণে কি কি বস্তু দৰকাৰ সেইটো স্থিৰ কৰি দিয়ে শিক্ষকসকলে। তাৰোপৰি তেওঁলোকে শিক্ষা পদ্ধতিৰ উন্নতি, নতুন নতুন উপায় উদ্ভাৱন, শিক্ষাদানৰ অপেক্ষাকৃত প্ৰগতিশীল পন্থা ইত্যাদিৰ কাৰণে সদায় সচেষ্ট হৈ থাকে।

শিক্ষক শিক্ষণৰ বিশেষ ব্যৱস্থাৰ অন্তৰ্গত আছে বহু উচ্চতৰ বিদ্যালয়সমূহৰ শিক্ষাবিষয়ক ফেকাল্টিসমূহ (সৰ্বমুঠ ১২০টা), শিক্ষাবিদ্যাৰ বিশেষ পাঠ্যক্ৰম, বিশেষৰূপে অগ্ৰসৰ শিক্ষকসকলৰ কাৰণে কলেজসমূহ, ৰিছাৰ্চ ইনষ্টিটিউটবিলাক, লেবৰেটৰিসমূহ, শিল্প প্ৰতিষ্ঠান আৰু এই ধৰণৰ অন্যান্য সংস্থাত ব্যৱহাৰিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা। তদুপৰি শিক্ষণ আৰু গৱেষণাৰ পদ্ধতি সম্পৰ্কে নিয়মিতভাৱে ছেমিনাৰ বিলাক অনুষ্ঠিত হৈ থাকে।

বৰ্তমানে সাধাৰণ মাধ্যমিক বিদ্যালয়বিলাকত নিযুক্ত আছে ২·৫ নিযুত শিক্ষক; বিশেষ মাধ্যমিক বিদ্যালয়বিলাকত আছে ১ লাখ ৬০ হাজাৰ; আৰু উচ্চতৰ বিদ্যালয়বিলাকত আছে

১ লাখ ৮০ হাজাৰ; ইয়াৰ ভিতৰত ১ লাখ শিক্ষকৰ উন্নত ডিগ্ৰী আছে।

এইখিনিতে এটা দৃষ্টান্ত দিব পাৰি। ছোভিয়েত শাসনৰ প্ৰথম কেইবছৰমানৰ ভিতৰতেই লেনিনৰ উদ্যোগত উজবেকিস্তানত (তাছখন্দ) মধ্য এছীয় বিশ্ববিদ্যালয় স্থাপিত হয়। বিপ্লৱৰ আগতে তাৰ প্ৰায় সকলো অধিবাসীয়েই নিৰক্ষৰ আছিল। ঐতিহাসিকভাৱে নিচেই কম সময়ৰ ভিতৰতেই সেই বিশ্ববিদ্যালয় এছিয়াৰ ভিতৰত বৃহত্তম উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানত পৰিণত হয়। ইয়াত ১৩ হাজাৰ ছাত্ৰ পঢ়ে আৰু শিক্ষকৰ সংখ্যা ১ হাজাৰতকৈও বেছি। এই বিশ্ববিদ্যালয়ত শিক্ষকসকলৰ যোগ্যতাৰ মান্য অত্যন্ত উন্নত; তেওঁলোকৰ ভিতৰত ৭৫ জন ডক্টৰ আৰু প্ৰফেছাৰ, ৩৮০ জন সহকাৰী প্ৰফেছাৰ আৰু বিজ্ঞানৰ ডক্টৰেট প্ৰাৰ্থী। তেওঁলোকৰ বহুতেই বিশ্ববিশ্ৰুত বিজ্ঞানী।

অৱশ্যে মধ্য এছীয় বিশ্ববিদ্যালয়েই দেশৰ বৃহত্তম বিশ্ববিদ্যালয় নহয়। যেনে, মস্কো বিশ্ববিদ্যালয়ত আছে ২৮০০ জনতকৈও বেছি শিক্ষক, তেওঁলোকৰ ভিতৰত ৪৪ জন একাডেমিচিয়ান, ১১০ জন ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু প্ৰজাতন্ত্ৰ সমূহৰ বিজ্ঞান একাডেমিবিলাকৰ কৰেছপণ্ডিং সদস্য, ৪৭৫ জন

প্ৰফেছাৰ আৰু ডক্টৰ আৰু ২২০০ জন সহকাৰী প্ৰফেছাৰ আৰু বিজ্ঞানৰ ডক্টৰেট প্ৰাৰ্থী। নভ'ছিবিৰ্স্ক্ বিশ্ববিদ্যালয় আৰু এটা বৃহৎ বিশ্ববিদ্যালয়। ইয়াৰ শিক্ষকসকলৰ মাজত আছে ৩৫ জন একাডেমিচিয়ান আৰু কৰেছপণ্ডিং সদস্য, ৪০ জন প্ৰফেছাৰ আৰু প্ৰায় ২০০ জন সহকাৰী প্ৰফেছাৰ আৰু বিজ্ঞানৰ ডক্টৰেট প্ৰাৰ্থী।

সমস্যা আৰু পৰিকল্পনা

বিশ্বৰ সংস্কৃতি আৰু বিজ্ঞানৰ ক্ষেত্ৰত ছোভিয়েত শিক্ষা ব্যৱস্থাই প্ৰভূত অৱদান যোগাইছে ; ইয়াৰ দ্বাৰাই দেশৰ সৰ্ব-সাধাৰণৰ নিৰক্ষৰতা দূৰীকৰণ সম্ভৱ হৈছে আৰু এই শিক্ষা ব্যৱস্থাই ইঞ্জিনিয়াৰ, বিজ্ঞানী, শিক্ষক, অৰ্থনীতিবিদ, দাৰ্শনিক, বুৰঞ্জীবিদ, ভাষাতত্ত্ববিদ, আইনজ্ঞ, ডাক্তৰ, কৃষিবিদ, আৰু অন্যান্য বিশেষজ্ঞসকলক লৈ কেবা লাখৰো এটা বিশাল বাহিনী গঢ়ি তুলিছে।

ইয়াৰ অৰ্থ এই নহয় যে, জনশিক্ষাৰ ক্ষেত্ৰত যাবতীয়

সমস্যাৰেই সমাধান হৈ গৈছে। সামাজিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক অগ্রগতিবোৰ ইমান বেগাই হৈছে যে তাৰ ফলত নতুন নতুন সমস্যাই দেখা দিছে। সেইবিলাক সমস্যাৰ সমাধান কৰিব লাগিব।

এইবিলাকৰ ভিতৰত আছে কিছুমান সাধাৰণ ধৰণৰ সমস্যা। প্রযুক্তিবিদ্যাৰ অগ্রগতি, সর্বসাধাৰণৰ সাংস্কৃতিক প্রয়োজন বৃদ্ধিৰ লগত এইবিলাক সমস্যাৰ সম্পর্ক আছে। চোভিয়েত জনসাধাৰণৰ মাজত জ্ঞানৰ স্পৃহা দিনেদিনেই বাঢ়িছে। উচ্চতৰ শিক্ষা লাভৰ কাৰণে ক্রমেই বেছিকৈ মানুহৰ মাজত আগ্রহ দেখা গৈছে।

ইয়াৰ ফলস্বৰূপে কলেজবিলাকত ছাত্রৰ সংখ্যা স্থিৰভাবে বাঢ়িছে। যোৱা সাত বছৰত উচ্চতৰ শিক্ষা প্রতিষ্ঠানবিলাকত ছাত্রৰ সংখ্যা প্রায় বিশ লাখ মান বাঢ়িছে. কিন্তু উচ্চতৰ বিদ্যালয়বিলাকত ভর্তি হবলৈ বিচৰা ছাত্রৰ সংখ্যা আৰু বেছি দ্রুতহাৰে বাঢ়িয়ে গৈছে। সেয়ে প্রবেশিকা পৰীক্ষা অত্যন্ত কঠিন কৰা হয়। মাধ্যমিক বিদ্যালয়ৰপৰা পাছ কৰি যিসকলে উচ্চতৰ বিদ্যালয়ত ভর্তি হবৰ কাৰণে দৰখাস্ত কৰে, তেওঁলোকৰ সংখ্যা ক্রমে বাঢ়ি যোৱাত আৰু জাতীয় অর্থনীতিৰ কাৰণে আৰু বেছিসংখ্যক বিশেষজ্ঞৰ প্রয়োজন হোৱাৰ কাৰণে

নতুন নতুন কলেজৰ কাৰণে ঘৰৰ সংখ্যা বঢ়োৱাটো জৰুৰী প্ৰয়োজন হৈ পৰিছে। তাৰোপৰি শিক্ষক শিক্ষণৰ ব্যৱস্থা আৰু শিক্ষা প্ৰতিষ্ঠানৰ প্ৰয়োজনীয় সুবিধা বিধানৰ কাৰণেও নতুনকৈ স্থান যোগোৱা দৰকাৰ হৈছে। সাধাৰণ মাধ্যমিক শিক্ষাৰ মানো অবিৰত উন্নততৰ কৰাৰ প্ৰয়োজন আছে।

ছোভিয়েত মাধ্যমিক বিদ্যালয়বিলাক আৰু উন্নত মানৰ হব আৰু ছাত্ৰসকলৰ সাধাৰণ শিক্ষা আৰু কাৰিকৰী বিদ্যা অৰ্জনৰ ব্যৱস্থা তাত থাকিব। মাধ্যমিক বিদ্যলয়-বিলাকতেই ছাত্ৰসকলে পাব বিজ্ঞানৰ মৌলিক বিষয়সমূহৰ জ্ঞান, জগৎ সম্পৰ্কে বস্তুবাদী দৃষ্টিভঙ্গী আৰু কমিউনিষ্ট নীতিবোধ, জীৱন সম্পৰ্কে প্ৰস্তুতি আৰু সচেতনভাৱে নিজ নিজ বৃত্তিৰ নিৰ্বাচন।

সাধাৰণ আৰু পলিটেকনিকেল মাধ্যমিক শিক্ষাৰ আৰু উন্নতি এনেভাৱে কৰা হব যাতে ১৯৭০ চনৰ ভিতৰতেই সৰ্বজনীন বাধ্যতামূলক দহ বছৰৰ মাধ্যমিক শিক্ষাত ই পৰিণত হব পাৰে—যাৰ দ্বাৰা জীৱন আৰু কৰ্মৰ মাজত যোগসূত্ৰ আৰু ঘনিষ্ঠ হৈ উঠিব, কমিউনিষ্ট গঠন কাৰ্যৰে সৈতে কাম কৰাৰ মাজেদি প্ৰত্যক্ষ সংযোগ স্থাপিত হব।

এইবিলাকৰ দ্বাৰা উচ্চতৰ শিক্ষাৰ মান উন্নততৰ হব। তাৰ ফলত ট্ৰেনিং দিয়াৰ সম্পূৰ্ণ পদ্ধতিৰেই উন্নতি হব আৰু এনেকৈ

দ্রুত বৰ্দ্ধনশীল শিল্প আৰু কৃষিৰ কাৰণে উচ্চ যোগ্যতাসম্পন্ন বিশেষজ্ঞ পোৱা সম্ভৱ হব।

১৯৬৯ চনত ছোভিয়েত যুক্তৰাষ্ট্ৰত উচ্চতৰ আৰু বিশেষ মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানবিলাকত ২৩০০ হাজাৰৰো বেছি ছাত্ৰ ভৰ্তি হৈছে। ১৯৭০ চনৰ ভিতৰত ছাত্ৰসংখ্যা আৰু প্ৰায় ৫ লাখ বাঢ়ি যাব। ব্যাপক জাতীয় ভিত্তিত সকলো পৰিবৰ্ত্তন পৰিকল্পিত হৈছে। ১৯৬৭ আৰু ১৯৬৮ চনত নতুন উচ্চতৰ বিদ্যালয় খোলা হয়।

ছোভিয়েতৰ মানুহে এতিয়া ছাইবেৰীয়া আৰু দূৰ প্ৰাচ্যৰ অনাহৃত প্ৰাকৃতিক সম্পদ বিচাৰি উলিয়াইছে। সুদূৰ উত্তৰত আৰু মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰবিলাকত বৃহদায়তনৰ নিৰ্মাণ কাৰ্য চলিছে। পূবে এইবিলাক অঞ্চল জনবসতিশূন্য আছিল। এই নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাত এতিয়া বহু লোক তালৈ বসবাস কৰিবলৈ গৈছে। মাত্ৰ সৌ সিদিনা যি ভূখণ্ড আছিল শিলাময় দুৰ্গম স্থান অথবা দিগন্তব্যাপী তৃণভূমি বা তৰুলতাহীন বিশাল জলাহ, (তাইগা, স্তেপ, তুন্দ্ৰা) আজি তাত গঢ়ি উঠিছে নতুন নতুন চহৰ। এইবিলাক নতুন চহৰৰ বাসিন্দাবিলাকৰ মাজত অধিকাংশই ডেকা বয়সৰ। তেওঁলোকৰ পঢ়াশুনাৰ অতি অনুকূল পৰিবেশ কিভাৱে সৃষ্টি কৰা যায়? তাৰ উৎকৃষ্ট

দস্থ: হ'ল যিবিলাক শিক্ষা প্রতিষ্ঠান চলি আছে সেইবিলাকৰ শাখা প্ৰথমতে এই অঞ্চলবিলাকত খোলা আৰু তাৰ পিচত নতুন নতুন শিক্ষা সংস্থা স্থাপন কৰা।

যুদ্ধোত্তৰ কালৰ বছৰবিলাকত লঘুশিল্প, খাদ্য সংৰক্ষণ শিল্প আৰু সেৱামূলক শিল্পবিলাকৰ দ্রুত উন্নতি হোৱাত এইবিলাক ঠাইত এতিয়া যোগ্যতাসম্পন্ন বিশেষজ্ঞৰ খুব অভাৱ। অদূৰ ভৱিষ্যতেই এওঁবিলাকৰ সংখ্যা তিনিগুণ বঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে। এই সকলোবিলাক হৈছে বহু সমস্যাৰ লগত জড়িত আৰু তাৰ সমাধানৰ চেষ্টা কৰা হৈছে।

শ্ৰমৰ বৈজ্ঞানিক সংস্থাত অৰ্থনীতিবিদ আৰু বিশেষজ্ঞৰ সংখ্যা দ্রুত হাৰত বাঢ়িব বুলি আশা কৰা গৈছে।

চোভিয়েত ইউনিয়নৰ অধিবাসীসকলৰ ভিতৰত আছে শতাধিক জাতি। ইয়াৰ কাৰণেই বিশ্ববিদ্যালয় আৰু কলেজ-বিলাকৰ বাহিৰেও লগে লগে নতুন নতুন শিক্ষা প্রতিষ্ঠান স্থাপন কৰাৰ প্ৰয়োজন হৈছে। সেইবিলাক হল জাতীয় ইনষ্টিটিউট-সমূহ যিবিলাকত স্থানীয় থিয়েটাৰ আৰু চিনেমাবিলাকৰ কাৰণে বিশেষজ্ঞ, কলা সমালোচক, বেলে নৰ্তক-নৰ্তকী গায়ক-গায়িকা, শিল্পী-সংগীতজ্ঞ প্রভৃতিক শিক্ষা দিয়া হয়। সেই দিনিটোলৈকে এই ধৰণৰ বিশেষজ্ঞসকলক ট্ৰেনিং দিয়া

হৈছিল বিভিন্ন ছোভিয়েত চহৰ আৰু নগৰবিলাকত অৱস্থিত নানা ধৰণৰ শিক্ষা প্ৰতিষ্ঠানবিলাকত। উদাহৰণস্বৰূপে, মস্কো ষ্টেট থিয়েট্ৰিকেল ইনষ্টিটিউটৰ কেইটামান জাতীয় ষ্টুডিঅ' আছে: তাজিক, মলদাভিয়ান, কাজাখ প্ৰভৃতি। সম্প্ৰতি বিভিন্ন প্ৰজাতন্ত্ৰত বিশেষজ্ঞসকলৰ চাহিদা খুব বাঢ়িছে; গতিকে জাতীয় আৰ্ট ইনষ্টিটিউটসমূহ স্থাপন কৰা আৱশ্যক হৈ পৰিছে। এই কাৰণেই জাতীয় আৰ্টত বিশেষজ্ঞ শিক্ষাৰ চাহিদা খুব বেছি হৈছে।

বৈজ্ঞানিক পদ্ধতিত শিক্ষাদানৰ মানোন্নয়ন আৰু সঠিক বিষয় নিৰ্বাচনৰ কাৰণে শিক্ষাৰ যোগ্যতা আৰু বিশেষজ্ঞ ট্ৰেনিং দিয়াৰ ব্যৱস্থা উন্নত কৰাই প্ৰধান কাম। জাতীয় অৰ্থনীতিৰ পৰিকল্পনা আৰু পৰিচালনাত নিযুক্ত বিশিষ্ট বিজ্ঞানী আৰু অৰ্থনীতিবিদৰ ঘনিষ্ঠ সহযোগিতাত উচ্চতৰ বিদ্যালয়বিলাকে এই কাম পৰিচালনা কৰে। বৈজ্ঞানিক, কাৰিকৰী, সাংস্কৃতিক আৰু সামাজিক প্ৰগতিৰ পৰিকল্পনা আৰু উৎপাদনৰ লগত এই শিক্ষাব্যৱস্থা ঘনিষ্ঠভাৱে সংশ্লিষ্ট। নতুন বৈজ্ঞানিক তথ্য আৰু অভিজ্ঞতা তথা নতুন শিক্ষা দিয়া পদ্ধতি প্ৰয়োগে বিদ্যালয়ৰ পাঠ্য-সূচীৰ পৰিবৰ্তন স্বভাৱতেই অত্যাৱশ্যক কৰি তোলে।

বৰ্তমানে ছোভিয়েত পণ্ডিতসকলে আৰু শিক্ষকসকলে

বিচাৰে শিক্ষাদানৰ পদ্ধতি যাতে আৰু বেছি কাৰ্যকৰ হয়। এই কালে চকু ৰাখিয়েই উচ্চতৰ বিদ্যালয়বিলাকে শিক্ষা পদ্ধতিৰ মনস্তাত্ত্বিক সমীক্ষা চলাইছে আৰু নিৰূপিত হৈছে শিক্ষাপদ্ধতিৰ যৌক্তিক-গাণিতিক থিঅ'ৰি। তাত্ত্বিক সমস্যাবিলাক সমাধানৰ প্ৰয়াসৰ লগে লগে চলিছে শিক্ষাদানৰ যান্ত্ৰিক ব্যৱস্থা ডিজাইন কৰাৰ কাম। এই উদ্দেশ্যে ফিল্ম, স্লাইড, টেলিভিছন, ৰেডিঅ', ৰেকৰ্ডিঙৰ যন্ত্ৰপাতি ইত্যাদি বহুল পৰিমাণে ব্যৱহৃত হৈছে।

গৱেষণাৰ কাম চলাবলৈ ছাত্ৰসকল যাতে সক্ষম হয় তাৰ কাৰণেও বহুখিনি কৰা হৈছে। ভাবী বিশেষজ্ঞসকলক ট্ৰেনিং দিয়াৰ পক্ষে এইটো সৰ্বোত্তম কাৰ্যকৰ পন্থা হিচাপে বিবেচিত হৈছে। জৰুৰী সমস্যাবিলাকৰ সম্পৰ্কে যৌথ গৱেষণাৰ কালে বিশেষ চকু দিয়া হয়, আৰু এইটো খুব কাৰ্যকৰী বুলি প্ৰমাণিত হৈছে। ছাত্ৰসকলৰ নানা ধৰণৰ ডিজাইনিং, প্ৰাযুক্তিক, অৰ্থনৈতিক আৰু অন্যান্য ব্যুৰোবিলাকেও সফলতা অৰ্জন কৰিছে। এইবিলাকৰ দ্বাৰা ভাবী বিশেষজ্ঞসকলৰ বৈজ্ঞানিক দক্ষতা বাঢ়ে।

ছাত্ৰসকলৰ বিজ্ঞানসম্মত বিশ্বদৃষ্টি গঢ়ি তুলিবলৈ উচ্চতৰ বিদ্যালয়সমূহে যথেষ্ট সহায়তা কৰে। তেওঁলোকৰ সাধাৰণ সাংস্কৃতিক আৰু দৈহিক উন্নতিৰ কালে যথেষ্ট দৃষ্টি ৰখা হয় আৰু

লগে লগে এইটোও দেখা হয় তেওঁলোক যাতে সমাজৰ এনে একোজন হৈ উঠে যি ভবিষ্যতে জনগণক সংগঠিত কৰিবলৈ আৰু তেওঁলোকৰ লগত কাম কৰিবলৈ সক্ষম হয়।

আন্তৰ্জাতিক বন্ধন

যুদ্ধোত্তৰ কালৰ বছৰবিলাকত ছোভিয়েত ইউনিয়নৰ আন্তৰ্জাতিক সাংস্কৃতিক বন্ধন বহুল পৰিমাণে সম্প্ৰসাৰিত হৈছে। শিক্ষাৰ ক্ষেত্ৰতো এই একে কথাই প্ৰযোজ্য। এই বিষয়ে ছোভিয়েত ইউনিয়নৰ যি লক্ষ্য, গোটেই জাতিৰ প্ৰগতি, বন্ধুত্ব আৰু সহযোগিতাৰ আকাঙ্ক্ষাৰ লগত তাৰ সংগতি আছে।

ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু অন্যান্য সমাজতান্ত্ৰিক ৰাষ্ট্ৰবিলাকৰ মাজত সাংস্কৃতিক সম্পৰ্ক উন্নত কৰাৰ কামত উচ্চতৰ বিদ্যালয়বিলাকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যুদ্ধৰ পৰবৰ্তী বছৰবিলাকত সমাজতান্ত্ৰিক দেশবিলাকৰ প্ৰায় ৪০ হাজাৰ ছাত্ৰ আহি ছোভিয়েত যুক্তৰাষ্ট্ৰৰ উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানবিলাকত শিক্ষা গ্ৰহণ কৰিছে বা তেওঁলোকৰ যোগ্যতা

বঢ়াইছে। বৰ্তমানে সমাজতান্ত্ৰিক দেশবিলাকৰ ১৩ হেজাৰ ছাত্ৰ আৰু স্নাতক ছাত্ৰই ছোভিয়েত উচ্চতৰ বিদ্যালয়বিলাকত বা গৱেষণা প্ৰতিষ্ঠানবিলাকত পঢ়াশুনা কৰে, তাৰ ভিতৰত আছে ভিয়েৎনামৰ প্ৰায় ৩ হেজাৰ ছাত্ৰ।

হাজাৰ হাজাৰ ভিয়েৎনামী বিশেষজ্ঞই ছোভিয়েতৰ কল-কাৰখানা, লেবৰেটৰি আৰু শিক্ষা প্ৰতিষ্ঠানবিলাকৰপৰা ফিল্ড ট্ৰেনিং লয়।

হানয় পলিটেকনিক অনুষ্ঠানৰ প্ৰতিষ্ঠাত ছোভিয়েত যুক্তৰাষ্ট্ৰই সাহায্য কৰিছে। ভিয়েৎনামত এইটোৱেই শীৰ্ষস্থানীয় শিক্ষা প্ৰতিষ্ঠান আৰু দক্ষিণপূৰ্ব এছিয়াত এইটো বৃহত্তম শিক্ষা সংস্থা।

এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাত উন্নয়নশীল দেশবিলাকৰ জনসাধাৰণক ছোভিয়েত জনসাধাৰণে নিস্বাৰ্থভাৱে সাহায্য কৰিছে। ছোভিয়েত সাহায্যত সেইবিলাক দেশত ত্ৰিশটা শিক্ষা প্ৰতিষ্ঠান নিৰ্মিত হব লাগিছে। ছোভিয়েত যুক্তৰাষ্ট্ৰই সেইবিলাক প্ৰতিষ্ঠানত প্ৰয়োজনীয় সৰঞ্জাম যোগাইছে। এইবিলাকৰ ভিতৰত আছে ব্ৰহ্মদেশৰ টেকনলজিকেল ইনষ্টিটিউট, আলজেৰিয়াৰ অয়েল এণ্ড গেচ ইনষ্টিটিউট, বোম্বাইৰ টেক্‌নলজিকেল ইনষ্টিটিউট, কাম্বোডিয়াৰ

খমেৰ-ছোভিয়েত মৈত্ৰী উচ্চতৰ প্ৰাযুক্তিক বিদ্যালয়, গিনি আৰু ইথিওপিয়াৰ পলিটেকনিক প্ৰতিষ্ঠান। এইবিলাকৰ কাম ইতিমধ্যেই আৰম্ভ হৈ গৈছে আৰু এইবিলাক বিশ্বৰ শ্ৰেষ্ঠ শিক্ষা প্ৰতিষ্ঠানসমূহৰ সমপৰ্যায়ভুক্ত। কেইখনমান দেশত আৰু কেইটামান শিক্ষা প্ৰতিষ্ঠানৰ নিৰ্মাণকাৰ্য অলপতেই আৰম্ভ হব। বিদেশৰ বহু উচ্চতৰ বিদ্যালয়ত ছোভিয়েত প্যাঠ্যপুস্তক পঢ়োৱা হয়, আৰু পৰিকল্পনাবিলাক আৰু পদ্ধতি-গত বিষয়বস্তুবিলাকো কামত লগোৱা হয়। সাম্প্ৰতিক বছৰ বিলাকত ১৬ হাজাৰো বেছি ছোভিয়েত অধ্যাপক আৰু শিক্ষকে বিদেশৰ শিক্ষা প্ৰতিষ্ঠানবিলাকত কাম কৰিছে।

বৰ্তমান ১৩০খন দেশৰ প্ৰায় ৩০ হাজাৰ ডেকাই ৩০০খন ছোভিয়েত শিক্ষা প্ৰতিষ্ঠানত থাকি বিদ্যাচৰ্চা কৰিছে, তাৰ ভিতৰত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশ-বিলাকৰ পৰা অহা ছাত্ৰৰ সংখ্যাই হব ২১ হাজাৰতকৈও বেছি। এইসকল ডেকাৰ অধিকাংশই লৈছে কাৰিকৰী আৰু কৃষিবিজ্ঞান, পদাৰ্থবিদ্যা, ৰসায়ন, ভেষজবিজ্ঞান আৰু গণিত; তাৰ কাৰণ সেইবিলাক দেশৰ পক্ষে এইবিলাক বিষয়ত বিশেষজ্ঞৰ অতি প্ৰয়োজন।

ছোভিয়েত উচ্চতৰ বিদ্যালয়সমূহ আৰু পশ্চিমী দুনিয়াৰ

অনুৰূপ বিদ্যালয়সমূহৰ মাজতো মিলাপ্ৰীতি সম্প্ৰসাৰণ কৰা হৈছে। উভয় পক্ষৰ মাজত শিক্ষক আৰু বিশেষজ্ঞ, বিশেষকৈ, বৈদেশিক ভাষাৰ শিক্ষক বিনিময় হয়। তদুপৰি বিজ্ঞান সম্মিলন আৰু চেমিনাৰত যোগদানৰ কাৰণে পণ্ডিত ব্যক্তি সকলক আমন্ত্ৰণ আৰু বক্তৃতাৰ কাৰণে শিক্ষাব্ৰতীসকলক আহ্বান কৰাতো হয়েই।

ডেকা বিজ্ঞানী বিনিময়ৰ কথা বিশেষৰূপে উল্লেখ কৰিব পাৰি। বৰ্ত্তমানে পশ্চিমী দুনিয়াৰ প্ৰায় এশ ডাঙৰ ডাঙৰ বিশ্ব-বিদ্যালয় আৰু কলেজত ছোভিয়েত বিজ্ঞানীসকলে আৰু ৰুচ ভাষাৰ শিক্ষকসকলে কাম কৰিছে।

বিদেশৰ সাংস্কৃতিক প্ৰতিষ্ঠানবিলাকৰে সৈতে ব্যাপক আৰু সাফল্যমণ্ডিত সম্পৰ্কৰ বিকাশ ঘটাই ছোভিয়েত উচ্চতৰ বিদ্যালয়সমূহে বিভিন্ন জাতিৰ মাজত বন্ধুত্ব, সহযোগিতা আৰু শান্তিৰ পথ প্ৰশস্ত কৰিছে।

তালিকা

১। সাধাৰণ মাধ্যমিক বিদ্যালয় আৰু ছাত্ৰৰ সংখ্যা

	১৯১৪ ১৫	১৯৬৮/৬৯
বিদ্যালয়	১২৪,০০০	২০৪,০০০
ছাত্ৰ	৯,৬০০,০০০	৪৯,০০০,০০০

২। সাধাৰণ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ সংখ্যা

১৯১৪/১৫	১৯৬৮/৬৯
২৮০,০০০	২,৫৬৩,০০০

৩। কাৰিকৰী আৰু অন্যান্য বিশেষ মাধ্যমিক বিদ্যালয়সমূহ

	১৯১৩	১৯৬৯
বিদ্যালয়ৰ সংখ্যা	৪৫০	৪,০০০ তকৈও অধিক
ছাত্ৰৰ সংখ্যা	৫৪,৩০০	৪,৩০০,০০০

৪। ইনষ্টিটিউট আৰু বিশ্ববিদ্যালয়বিলাকত ছাত্ৰৰ সংখ্যা

১৯১৪/১৫	১৯৬৯/৭০
১,২৭,০০০	৪৬,০০,০০০

৫। বিশ্ববিদ্যালয়সমূহ

১৯১৩	১৯৬৯
১৩	৪৮

৬। শিক্ষণ শিক্ষাসংক্ৰান্ত ইনষ্টিটিউট সমূহ

১৯১৩	১৯৬৯
২ (বেচৰকাৰী)	২০৬

৭। উচ্চতৰ কাৰিকৰী ইনষ্টিটিউট সমূহ

	১৯১৩	১৯৬৯
বিদ্যালয়ৰ সংখ্যা	১৮	২২৮
ছাত্ৰৰ সংখ্যা	২৪,৯০০	২,০০০,০০০ প্ৰায়

৮। কৃষি ইনষ্টিটিউট সমূহ

	১৯১৩	৯৬৯
বিদ্যালয়ৰ সংখ্যা……………	১৪	৯৮